# Furkating College (Autonomous)

## ***Department of Assamese***

## FYUGP Syllabus(1st,2nd & 3rd semester)

**DRAFT STRUCTURE OF FOUR YEAR UNDER GRADUATE PROGRAMMES (FYUGP) OF 1ST, 2ND & 3RD SEMETER IN FURKATING COLLEGE (AUTONOMOUS)**
**SUBJECT-ASSAMESE**

## প্ৰস্তাৱনা (Preamble)

ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ (NEP 2020) ৰ নিৰ্দেশনাৰ লগত সংগতি ৰাখি ফৰকাটিং মহাবিদ্যালয় (স্বায়ত্বশাসিত) ৰ অসমীয়া বিষয়ৰ স্নাতক পাঠ্যক্ৰম প্ৰস্তুত কৰা হৈছে। পাঠ্যসূচীত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক ক্ষেত্ৰৰ লগত সম্পৰ্কিত বিভিন্ন দিশৰ তাত্ত্বিক আৰু প্ৰায়োগিক বিচাৰ-বিশ্লেষণত প্ৰাথমিক গুৰুত্ব দিয়া হৈছে। লগতে উত্তৰ-পূব ভাৰতৰ ভাষা-সাহিত্যৰ পৰিচয়, অসমৰ বিভিন্ন নৃগোষ্ঠীয় সংস্কৃতিৰ পৰিচয়, ভাৰতীয় সাহিত্য আৰু বিশ্ব সাহিত্যৰ পৰিচয় বিষয়ক পাঠ্যও অন্তৰ্ভুক্ত কৰা হৈছে। এই পাঠ্যক্ৰমত তুলনামূলক সাহিত্য, সাহিত্যৰ সমাজতত্ত্ব আদিৰ দৰে বিভিন্ন আন্তঃবিভাগীয় বিষয়ো সামৰি লোৱা হৈছে। লগতে প্ৰাচ্য আৰু পাশ্চাত্য সাহিত্য সমালোচনা তত্ত্বৰ লগত ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰিবলৈ চেষ্টা কৰা হৈছে। ভাষাৰ যোগাযোগমূলক দক্ষতাৰ বিকাশ, সৃজনশীলতাৰ বিকাশ, ব্যক্তিত্ব বিকাশ আৰু সুকুমাৰ কৌশল সম্পৰ্কীয় প্ৰয়োজনীয় বিভিন্ন দিশ সম্বলিত বিষয়েও পাঠ্যসূচীত স্থান পাইছে। পাঠ্যক্ৰমত আধুনিক প্ৰযুক্তিৰ লগত অসমীয়া ভাষা-সাহিত্যৰ সম্পৰ্ক স্থাপন, অনুবাদৰ পৰিচয় আৰু প্ৰয়োগ আদি বিষয় সন্নিৱিষ্ট কৰি বৃত্তিমুখী দক্ষতা বিকাশৰ পথ সুগম কৰা হৈছে। গৱেষণাকৰ্মৰ সাধাৰণ ধাৰণাসহ প্ৰায়োগিক ক্ষেত্ৰত গৱেষণাকৰ্ম সম্পাদন সম্পৰ্কীয় পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিৰে ছাত্ৰ-ছাত্ৰীক গৱেষণাৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ প্ৰচেষ্টা কৰা হৈছে।

পৰিচয় (Introduction)

ভাৰতৰ পূব প্ৰান্তত অৱস্থিত অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি। সংবিধানৰ অষ্টম অনুসূচীৰ অন্তৰ্ভুক্ত অসমীয়া ভাষাই বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সংযোগী ভাষা হিচাপে ভূমিকা পালন কৰি আহিছে। সুদীৰ্ঘ সাহিত্যিক পৰিক্ৰমাৰে সমৃদ্ধ অসমীয়া ভাষা আধুনিক ভাৰতীয় ভাষাসমূহৰ ভিতৰত এটা উল্লেখযোগ্য ভাষা। উদ্ভৱ কালৰে পৰা বিভিন্ন ভাষিক বৈশিষ্ট্যৰে বিভিন্ন স্তৰ অতিক্ৰম কৰি এই ভাষা বৰ্তমান স্তৰত উপনীত হৈছেহি। অসমীয়া ভাষাৰ আঞ্চলিক আৰু নৃগোষ্ঠীয় বিভিন্ন ৰূপভেদ পোৱা যায়। খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ পৰা অসমীয়া লিখিত সাহিত্যৰ ধাৰাবাহিক ইতিহাস পোৱা যায়। তেতিয়াৰে পৰা নানা স্তৰ-উপস্তৰৰ মাজেৰে অসমীয়া সাহিত্যই এক সুদীৰ্ঘ সাহিত্যিক পৰিক্ৰমা অতিক্ৰম কৰিছে। অসমীয়া ভাষা আৰু লিপিৰ উদ্ভৱ আৰু বিকাশ, অসমীয়া ভাষাৰ ঔপভাষিক ভিন্নতা; অসমীয়া সাহিত্যৰ ইতিহাস আৰু ইতিহাসৰ বিভিন্ন স্তৰ, অসমীয়া সাহিত্যৰ বিভিন্ন বিধা আদি ভাষা-সাহিত্য অধ্যয়নৰ মূল দিশবোৰৰ লগত ছাত্ৰ-ছাত্ৰী পৰিচিত হ'ব পৰাকৈ অসমীয়া বিষয়ৰ চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ পাঠ্যসূচী যুগুত কৰা হৈছে। এই পাঠ্যক্ৰমত অসমীয়া ভাষা-সাহিত্যৰ লগতে অসমৰ সাংস্কৃতিক বৈশিষ্ট্যৰো পৰিচয় দিবলৈ যত্ন কৰা হৈছে। অসমৰ লগতে উত্তৰ-পূব ভাৰতৰ ভাষিক, সাহিত্যিক আৰু সাংস্কৃতিক বিভিন্ন বিষয়ৰ সৈতে ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰোৱাৰ প্ৰয়াসো কৰা হৈছে।

অসমীয়া বিষয়ত স্নাতক পাঠ্যক্রমৰ উদ্দেশ্য ঃ

* অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ লগত ছাত্ৰ-ছাত্ৰীক পৰিচিত কৰা।

* অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ লগত ছাত্ৰ-ছাত্ৰীসকলক আগ্ৰহী কৰি সজাগতা আৰু সচেতনতা বৃদ্ধি কৰা।

* অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসৰ প্ৰণালীবদ্ধ অধ্যয়নৰ জৰিয়তে সাহিত্যৰ ঐতিহ্য আৰু বিকাশ সম্পৰ্কীয় জ্ঞান প্ৰদান কৰা। লগতে অসমীয়া ভাষা-সাহিত্য সমৃদ্ধিৰ হকে কাম কৰিবলৈ ছাত্ৰ-ছাত্ৰীক দায়িত্বশীল কৰি তোলা।

* অসমত প্ৰচলিত অন্যান্য ভাষাৰ অধ্যয়নৰ জৰিয়তে অসমৰ ভাষাৰ ভাষিক স্থিতি, ভাষিক বৈচিত্ৰ্য আৰু ভাষিক আদান-প্ৰদানৰ জ্ঞান প্ৰদান কৰা।

* বিভিন্ন প্ৰকাৰৰ প্ৰাচ্য আৰু পাশ্চাত্য সাহিত্য আৰু সিবিলাকৰ সমালোচনা সম্পৰ্কীয় প্ৰাথমিক ধাৰণা প্ৰদান কৰা।

* ভাৰতীয় সাহিত্যৰ অধ্যয়নৰ জৰিয়তে ভাৰতীয় সাহিত্যৰ বিচিত্ৰতা আৰু অখণ্ডতাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক সচেতন কৰা।

* আধুনিক তথ্য-প্ৰযুক্তিৰ লগত অসমীয়া ভাষাক সংযুক্ত কৰি অসমীয়া ভাষাৰ প্ৰযুক্তিগত বিকাশ সম্পৰ্কীয় শিক্ষা প্ৰদান কৰা।

* বৃত্তিমুখী ব্যৱহাৰিক প্ৰশিক্ষণৰ লগত জড়িত কৰা।

**B.A. IN ASSAMESE**
**A PROGRAMME (NEP-2020)**

## SEMESTER-I

Title of the Course ঃ অসমীয়া ভাষা আৰু লিপিৰ পৰিচয়মূলক ইতিহাস
(Introduction to History of Assamese Language and Script)
Course Code ঃ ASSA-MA-1014
Nature of the Course ঃ Core
Total Credits ঃ 04
Distribution of Marks 80 (End Sem) 20 (In-Sem)

প্ৰস্তাৱনা

এই কাকতখনৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া ভাষা আৰু উপভাষাৰ সাধাৰণ পৰিচয় লাভ কৰাৰ লগতে অসমীয়া ভাষা তথা লিপিৰ মূল, উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে থূলমূল পৰিচয় পাব।

উদ্দেশ্য

১.অসমীয়া ভাষা আৰু উপভাষা সাধাৰণ পৰিচয় প্ৰদান কৰা।
২.অসমীয়া ভাষাৰ মূল আৰু উদ্ভৱ কাল সম্পৰ্কীয় বিভিন্ন মতসমূহৰ পৰিচয় দিয়া।
৩.অসমীয়া ভাষাৰ বিকাশৰ বিভিন্ন স্তৰ-উপস্তৰৰ সময়সীমা, নামকৰণ, অধ্যয়নৰ সমল আৰু ভাষিক বৈশিষ্ট্য সম্পৰ্কে পৰিচয় প্ৰদান কৰা।
৪.অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে আভাস দিয়া।

| UNIT | TOPIC | L পাঠদান | T অনুশিক্ষণ | Total মুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| I. | অসমীয়া ভাষাৰ সাধাৰণ পৰিচয় ঃ ভাষিক নামকৰণ, ভাষা-ভাষীৰ সংখ্যা, প্ৰচলন ক্ষেত্ৰ, মৰ্যাদা, ভাষিক বৈশিষ্ট্য, আঞ্চলিক আৰু নৃগোষ্ঠীয় ঔপভাষিক ৰূপ, সংযোগী ভাষাৰ ভূমিকা | ১৬ | ০৪ | ২০ | ২০ |
| II. | অসমীয়া ভাষাৰ মূল আৰু উদ্ভৱ কাল ঃ মূল আৰু উদ্ভৱ কাল সম্পৰ্কীয় বিভিন্ন মতৰ থূলমূল পৰিচয় | ০৮ | ০২ | ১০ | ১৮ |
| III. | অসমীয়া ভাষাৰ ইতিহাসৰ বিভিন্ন স্তৰ-উপস্তৰ ঃ সময়সীমা, নামকৰণ, অধ্যয়নৰ সমল আৰু ভাষিক বৈশিষ্ট্য সম্পৰ্কে সংক্ষিপ্ত পৰিচয় | ১৬ | ০৪ | ২০ | ২৪ |
| IV. | অসমীয়া লিপিৰ মূল, উদ্ভৱ আৰু ক্ৰমবিকাশ | ০৮ | ০২ | ১০ | ১৮ |
| | মুঠ | ৪৮ | ১২ | ৬০ | ৮০ |

**আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি**

| | |
|---|---|
| আভ্যন্তৰীণ পৰীক্ষা (এটা) | (২০নম্বৰ) |
| অন্যান্য (তলৰ যিকোনো এটা) | (১০নম্বৰ) |
| সামূহিক আলোচনা | (১০নম্বৰ) |
| আলোচনা পত্ৰ প্ৰস্তুত আৰু উপস্থাপন | |
| গৃহকৃত কৰ্ম | |

**শিকন পৰিণতি**

১.অসমীয়া ভাষাৰ ঔপভাষিক ভিন্নতাৰ বিষয়ে জ্ঞান লাভ কৰিব।

২.অসমীয়া ভাষাৰ মূল আৰু উদ্ভৱৰ লগত জড়িত মতসমূহৰ বিষয়ে জানি এটা নিজা ধাৰণা গঢ় দিব পাৰিব।

৩.অসমীয়া ভাষাৰ বিকাশৰ স্তৰ-উপস্তৰসমূহৰ এটা প্ৰাথমিক ধাৰণা কৰিব।

৪.অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশৰ সম্পৰ্কে এটি সম্যক ধাৰণা পাবলৈ সক্ষম হ'ব।

**প্ৰসংগ পুথি ঃ**


| | |
|---|---|
| অসমীয়া ভাষাৰ ব্যাকৰণ | ঃ ড০ উপেন্দ্ৰনাথ গোস্বামী |
| অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ | ঃ গোলোকচন্দ্ৰ গোস্বামী |
| অসমীয়া ব্যাকৰণ প্ৰৱেশ | ঃ গোলোকচন্দ্ৰ গোস্বামী |
| অসমীয়া বৰ্ণ প্ৰকাশ | ঃ গোলোকচন্দ্ৰ গোস্বামী |
| অসমীয়া ভাষাৰ ৰূপতত্ত্ব | ঃ লীলাৱতী শইকীয়া বৰা |
| অসমীয়া ভাষা | ঃ ভীমকান্ত বৰুৱা |
| অসমীয়া ভাষা-চিন্তন | ঃ অৰ্পণা কোঁৱৰ |
| অসমীয়া ভাষাৰ গঠন আৰু বিকাশ | ঃ বিশ্বেশ্বৰ হাজৰিকা (অনু) |
| অসমৰ ভাষা | ঃ ভীমকান্ত বৰুৱা |
| অসমীয়া ভাষা আৰু উপভাষা | ঃ উপেন ৰাভা হাকাচাম |
| উপভাষা বিজ্ঞানৰ ভূমিকা | ঃ ড০ ৰমেশ পাঠক |
| অসমীয়া ভাষাৰ ইতিহাস | ঃ ড০ ৰমেশ পাঠক |
| উপভাষা আৰু অসমৰ উপভাষা | ঃ দীপ্তি ফুকন পাটগিৰি (সম্পা.) |
| অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ | ঃ উপেন্দ্ৰনাথ গোস্বামী |
| অসমীয়া লিপিৰ পৰিচয় | ঃ ড০ কণক চন্দ্ৰ চহৰীয়া |
| অসমীয়া লিপি আৰু অসমৰ জনজাতীয় ভাষাৰ লিপি | ঃ ড০ জ্যোতিৰেখা হাজৰিকা |
| Assamese, Its Formation and Development | : Kakati B, LBS, Guwahati, 1995 |

B.A. IN ASSAMESE PROGRAMME (NEP-2020)
DETAILED SYLLABUS OF 2nd SEMESTER

## SEMESTER -II

Title of the Course : অসমীয়া সাহিত্যৰ পৰিচয়মূলক ইতিহাস
Introduction to History of Assamese Literature)
Course Code : ASSA-MA-2014
Nature of the Course : Core
Total Credits : 04
Distribution of Marks : 80 (End Sem) + 20 (In-Sem)

প্ৰস্তাৱনা
পটভূমি সহিত অসমীয়া সাহিত্যৰ ইতিহাসৰ এটি থূলমূল পৰিচয় প্ৰদানৰ উদ্দেশ্যেৰে এই কাকতখন প্ৰস্তুত কৰা হৈছে।

উদ্দেশ্য
অসমীয়া সাহিত্যৰ পটভূমি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰি দিয়া হ'ব।
অসমীয়া সাহিত্যৰ যুগবিভাজনৰ ধাৰণা প্ৰদান কৰা হ'ব।
যুগ নিৰপেক্ষ অসমীয়া সাহিত্যৰ চমু পৰিচয় আগবঢ়োৱা হ'ব।
পুৰণি অসমীয়া সাহিত্যৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব।
অসমীয়া সাহিত্যৰ আধুনিক যুগ সম্পৰ্কে আভাস দিয়া হ'ব।

| UNIT | TOPIC | L | T | Total | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| I. | অসমীয়া সাহিত্যৰ **প্ৰেক্ষাপটঃ** ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক, ভাষিক | ০৮ ০২ | ১০ | ১২ | |
| I1. | **অসমীয়া সাহিত্যৰ ইতিহাস চৰ্চা** ঃ সময়সীমা, নামকৰণ আৰু বিভিন্ন ধাৰা সম্পৰ্কে বিভিন্ন মতৰ সংক্ষিপ্ত পৰিচয় | ০৮ | ০২ | ১০ | ২০ |
| III. | আদিযুগ আৰু যুগ নিৰপেক্ষ সাহিত্যৰ সাধাৰণ পৰিচয় | ০৮ | ০২ | ১০ | ১৪ |
| IV. | **মধ্যযুগীয় অসমীয়া সাহিত্য ঃ প্ৰাকশংকৰী, শংকৰী আৰু শংকৰোত্তৰ যুগৰ বৈশিষ্ট্য আৰু সাহিত্যৰ ৰূপ-ৰীতি সম্পৰ্কে পৰিচয়** | ১২ | ০৩ | ১৫ | ১৬ |
| V. | অসমীয়া সাহিত্যৰ আধুনিক যুগ ঃ বিভিন্ন স্তৰ-উপস্তৰৰ বৈশিষ্ট্য আৰু সাহিত্যৰ ৰূপ-ৰীতি সম্পৰ্কীয় পৰিচয় | ১২ | ০৩ | ১৫ | ১৮ |
| | Total | ৪৮ | ১২ | ৬০ | ৮০ |

**আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি** (২০নম্বৰ)

আভ্যন্তৰীণ পৰীক্ষা (এটা) (১০নম্বৰ)

অন্যান্য (তলৰ যিকোনো এটা) (১০নম্বৰ)

সামূহিক আলোচনা

আলোচনা পত্ৰ প্ৰস্তুত আৰু উপস্থাপন

গৃহকৃত কৰ্ম

**শিকন পৰিণতি**

এই কাকতখন পঢ়ি ছাত্ৰ-ছাত্ৰীসকলে --

ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু ভাষিক কাৰকে কি ধৰণেৰে অসমীয়া সাহিত্যৰ সৃষ্টিত অৰিহণা আগবঢ়াইছে, তাৰ আভাস লাভ কৰিব।

অসমীয়া সাহিত্যৰ যুগবিভাজন, যুগৰ নামকৰণ, যুগৰ সময়সীমা নিৰূপন সম্পৰ্কে অৱগত হ'ব।

যুগনিৰপেক্ষ সাহিত্যৰ বৰ্তনযোগ্যতা সম্পৰ্কে জ্ঞান লাভ কৰিব।

মধ্যযুগৰ অসমীয়া সাহিত্যৰ ৰূপ-ৰীতি সম্পৰ্কে সংক্ষিপ্ত পৰিচয় লাভ কৰিব।

অসমীয়া সাহিত্যৰ আধুনিক যুগৰ বিভিন্ন স্তৰ-উপস্তৰসমূহৰ সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব।

প্ৰসংগ পুথি ঃ


অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী ঃ দেবেন্দ্ৰনাথ বেজবৰুৱা

অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ সত্যেন্দ্ৰনাথ শৰ্মা

অসমীয়া সাহিত্যৰ ৰূপৰেখা ঃ মহেশ্বৰ নেওগ

অসমীয়া সাহিত্যত দৃষ্টিপাত ঃ হেমন্ত কুমাৰ শৰ্মা

অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড) ঃ বিশ্বেশ্বৰ হাজৰিকা (সম্পা)

অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড) ঃ শিৱনাথ বৰ্মন (সম্পা)

অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড) ঃ হোমেন বৰগোহাঞি (সম্পা)

অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা ঃ লীলা গগৈ (সম্পা)

অসমীয়া জন সাহিত্য ঃ প্ৰফুল্ল দত্ত গোস্বামী

অসমীয়া কবিতাৰ প্ৰৱাহ (প্ৰথম খণ্ড) ঃ কবীন ফুকন

আধুনিক অসমীয়া সাহিত্যৰ পৰিচয় ঃ লীলা গগৈ (সম্পা)

অসমীয়া লোকসাহিত্য ঃ শশী শৰ্মা

অসমীয়া লোকসাহিত্য ঃ ড° প্ৰহ্লাদ কুমাৰ বৰুৱা (সম্পা)

SEMESTER-3

Title of the Course : অসমীয়া সংস্কৃতিৰ স্বৰূপ

NATURE OF ASSAMESE CULTURE

Course Code : ASSA-MA-3014

Nature of the Course : Core

Total Credits : 04

Distribution of Marks : 80 (End Sem) + 20 (IN-Sem)

**প্রস্তাৱনা**

এই কাকতৰ যোগেদি অসমীয়া সংস্কৃতিৰ বিষয়ে সামগ্রিক ধাৰণা প্রদান কৰাৰ লগতে সংস্কৃতি বিষয়ক তাত্ত্বিক দিশসমূহৰ বিষয়েও ধাৰণা প্রদান কৰা হ'ব। নৃপ্রজাতীয় বৈবিধ্যৰ মাজত গঢ় লৈ উঠা অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্যৰ বিষয়ে ধাৰণা প্রদান কৰা হ'ব। লগতে অসমীয়া সংস্কৃতিৰ অংশ হিচাপে অসমীয়া শিল্পকলাৰ বিষয়ে এটি ধাৰণা দিয়াৰ প্রয়াস কৰা হৈছে।

**উদ্দেশ্য ঃ**

সংস্কৃতিৰ তাত্ত্বিক দিশসমূহৰ পৰিচয় দিয়া।

অসমীয়া সংস্কৃতিক গঢ় দিয়া জনসমষ্টিৰ নৃপ্রজাতীয় চৰিত্ৰৰ বিষয়ে ধাৰণা দিয়া।

অসমীয়া সংস্কৃতিৰ সামগ্রিক ৰূপ সম্পর্কে অৱগত কৰা।

অসমৰ শিল্পকলা সম্পর্কে এটি পৰিচয়মূলক অধ্যয়নৰ বাট মুকলি কৰা।

| UNIT | TOPIC | L পাঠদান | T অনুশিক্ষণ | Total মুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| I. | সংস্কৃতিৰ সংজ্ঞা, স্বৰূপ; উপাদান, **প্রকাৰ** | ১২ | ০৩ | ১৫ | ২০ |
| II. | ক) অসমৰ মানুহৰ **নৃতাত্ত্বিক** পৰিচয়<br>**খ) অসমীয়া সংস্কৃতিৰ সমন্বয়** | ১৪ | ০৪ | ১৮ | ২০ |
| III. | অসমৰ পৰম্পৰাগত লোকশিল্প - **মৃৎ শিল্প, বস্ত্র শিল্প, বাঁহ-বেতৰ শিল্প** | ১০ | ০২ | ১২ | ২০ |
| IV. | স্থাপত্য-ভাস্কর্য আৰু **চিত্ৰকলাৰ পৰিচয়** | ১২ | ০৩ | ১৫ | ২০ |
| | Total | ৪৮ | ১২ | ৬০ | ৮০ |

**আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি**

আভ্যন্তৰীণ পৰীক্ষা (এটা) (২০নম্বৰ)

অন্যান্য (তলৰ যিকোনো এটা) (১০নম্বৰ)

সামূহিক আলোচনা (১০নম্বৰ)

আলোচনা পত্র প্রস্তুত আৰু উপস্থাপন

গৃহকৃত কর্ম

শিকন পৰিণতি

ছাত্ৰ-ছাত্ৰীসকলে --

সংস্কৃতিৰ তাত্ত্বিক দিশসমূহৰ সৈতে পৰিচিত হ'ব।

অসমীয়া সংস্কৃতি, অসমৰ মানুহ আদিৰ বিষয়ে এটা ধাৰণা কৰিব পাৰিব।

আন্তঃবিদ্যাৰ্তী বিষয় হিচাপে সংস্কৃতি অধ্যয়নক ভৱিষ্যত অধ্যয়নৰ বাবে গ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত হ'ব।

প্ৰসংগ পুথি


অসমীয়া লোকসংস্কৃতিৰ আভাস ঃ নবীনচন্দ্ৰ শৰ্মা

অসমৰ লোকসংস্কৃতি ঃ নিৰ্মলপ্ৰভা বৰদলৈ

অসমৰ সমাজ সংস্কৃতি ঃ পদ্ম পাটৰ

অসমৰ সাংস্কৃতিক ঐতিহ্য ঃ মহেশ্বৰ নেওগ

অসমৰ মানুহ, ভুৱনমোহন দাস ঃ অসম সাহিত্য সভা

অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয় ঃ ভুৱনমোহন দাস

অসমৰ জনজাতি ঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য (সম্পা)

অসমৰ লোকসাহিত্য ঃ নবীনচন্দ্ৰ শৰ্মা

লোকতত্ত্ব জিজ্ঞাসা ঃ নীৰাজনা মহন্ত বেজবৰা

অসমৰ সাংস্কৃতিক ইতিহাস (দ্বিতীয় খণ্ড) ঃ যতীন্দ্ৰ নাথ বৰগোহাঞি

অসমীয়া মানুহৰ ইতিহাস ঃ নগেন শইকীয়া

অসমীয়া ভাষা আৰু সংস্কৃতি ঃ বিৰিঞ্চি কুমাৰ বৰুৱা

অসমৰ পুথিচিত্ৰ ঃ নৰেন কলিতা

সংমিশ্ৰণত অসমীয়া সংস্কৃতি ঃ আব্দুছ ছাত্তাৰ

উত্তৰ পূৰ্বাঞ্চলৰ বস্তু সংস্কৃতি ঃ অজন্তা ৰাজখোৱা

উত্তৰ পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় সাজপাৰ আৰু আ-অলংকাৰ ঃ অজন্তা ৰাজখোৱা

A Cultural History of Assam Vol-I, B.K Barua, Gauhati (Guwahati)

Folk Literature of Assam, P. GOSWAMI, Guwahati

Folklore and Folklife, An Introduction, R.M. Dorson, (ed.), Chicago University

Primitive Culture, E.B. Tylor, London.

Totem and Taboo, S. Freud, London.

Tradition to Modernity Essays on Assam, Sivanath Barman, Bhabani Books

Tribal Folktales of Assam, SN Borkakati, Publication Board. Assam

Tribal Studies, tamo Mibang, MC Behera,Mittal Publication, New Delhi

SEMESTER - 3

Title of the Course : Study of Assamese Poetry (Ancient, Romantic and Modern)

Course Code : ASSA-MA-3024

Nature of the Course : Core

Total Credits : 04

Distribution of Marks : 80 (End Sem)+ 20 (In-Sem)

এই কাকতখনৰ জৰিয়তে আৰম্ভণিৰে পৰা বৰ্তমান সময়লৈকে অসমীয়া কবিতাৰ গতি প্ৰকৃতি সম্পৰ্কে ধাৰণা দিয়া হ'ব। বিভিন্ন যুগৰ অসমীয়া কবিতাৰ ৰূপ বৈচিত্ৰৰ বিষয়েও অৱগত কৰা হ'ব।

**উদ্দেশ্য ঃ**

অসমীয়া কবিতাৰ ইতিহাসৰ লগত পৰিচয় কৰোৱা।

বিভিন্ন যুগৰ কবিসকলৰ কাব্যকৃতিৰ পৰিচয় দিয়া।

আধুনিক অসমীয়া কবিতাৰ বিষয়ে অৱগত কৰা।

| UNIT | TOPIC | L | T | Total | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| I | অসমীয়া কবিতাৰ পৰিক্ৰমা | 05 | 2 | 7 | 10 |
| | ফুল কোঁৱৰৰ গীত (দ্বিতীয় অধ্যায়)<br>জিকিৰ (চিন্তো হে'ৰা মোৰ মন আল্লাৰ নামত...) | 06 | 2 | 8 | 10 |
| II | চৰ্যাপদ<br>মাধৱ কন্দলিৰ ৰামায়ণৰ পৰা (শঙ্খিনী চিত্ৰিণী নাৰী... বহয় পৰন) | 06 | 2 | 8 | 10 |
| III | সুন সুন ৰে সুৰ (বৰগীত), শংকৰদেৱ<br>নামঘোষাৰ পৰা (পদ সংখ্যা ৩৭১-৩৭৫), মাধৱদেৱ | 06 | 2 | 8 | 10 |
| IV | তেজীমলা— চন্দ্ৰকুমাৰ আগৰৱালা<br>নাটঘৰ — নলিনীবালা দেৱী<br>অতীতক নাযাবা পাহৰি — যতীন্দ্ৰনাথ দুৱৰা | 08 | 3 | 11 | 15 |
| V | আমি দুৱাৰ মুকলি কৰো — দেৱকান্ত বৰুৱা<br>পোহৰতকৈ আন্ধাৰ ভাল — হেম বৰুৱা<br>এটা প্ৰেমৰ পদ্য — নৱকান্ত বৰুৱা<br>মোৰ দেশ — হীৰেন ভট্টাচাৰ্য<br>মুঠি মুঠিকৈ কটি তোৰ ... — নীলমণি ফুকন | 15 | 3 | 18 | 25 |
| | Total | 46 | 14 | 60 | 80 |

শিকন পৰিণতি ঃ

এই কাকত অধ্যয়ন কৰাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া কবিতাৰ উদ্ভৱকালীন সময়ৰ পৰা বৰ্তমানলৈকে সম্যক ধাৰণা আহৰণ কৰিব।


প্ৰসংগ পুথি ঃ

| | | |
|---|---|---|
| অসমীয়া কবিতাৰ প্ৰবাহ | ঃ | কবীন ফুকন |
| অসমীয়া সাহিত্যৰ বুৰঞ্জী (১ম, ২য়,৪ৰ্থ, পঞ্চম আৰু ষষ্ঠ খণ্ড) | ঃ | আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা |
| অসমীয়া কবিতাৰ সমালোচনা | ঃ | আনন্দ বৰমুদৈ |
| আজান ফকীৰ আৰু সুৰীয়া জিকিৰ | ঃ | চৈয়দ আব্দুল মালিক |
| আধুনিক অসমীয়া কবিতা | ঃ | এম কামালুদ্দিন আহমদ |
| কবিতাৰ ৰূপছাঁয়া | ঃ | কৰবী ডেকা হাজৰিকা |
| ৰমন্যাসবাদ | ঃ | মহেন্দ্ৰ বৰা |
| পোহৰে মেলা তাঁত | ঃ | ধ্ৰুৱজ্যোতি দাস |
| আজান ফকীৰ আৰু জিকিৰ জাৰীৰ মূল্যায়ন | ঃ | ইছমাইল হুছেইন |
| সঞ্চয়ন | ঃ | মহেশ্বৰ নেওগ (সম্পা.) |
| কবি আৰু কবিতা | ঃ | নন্দ তালুকদাৰ |
| অসমীয়া কবিতাৰ তিনিটা স্তৰ | ঃ | এম কামালুদ্দিন (সম্পা.), মালিনী গোস্বামী |
| অসমীয়া কবি আৰু কবিতা | ঃ | কৰবী ডেকা হাজৰিকা |
| অসমীয়া কাব্য পৰিক্ৰমা | ঃ | অৰবিন্দ ৰাজখোৱা (সম্পা.) |
| চৰ্যাপদ | ঃ | পৰীক্ষিত হাজৰিকা |
| অসমীয়া কবিতা | ঃ | কৰবী ডেকা হাজৰিকা |
| অসমীয়া কবিতা ঃ ঐতিহ্য আৰু ৰূপান্তৰ | ঃ | জ্যোতিৰেখা হাজৰিকা (সম্পা.) |

# SEMESTER-I

## Title of the Course - অসমৰ ভাষা আৰু লিপি
## ( Language and Scripts of Assam)
## Course code : ASSA-MI-1014
## Nature of the Course : Minor
## Total Credits : 04
## Distribution of Marks : 80 ( End Sem)+ 20 ( In-Sem)

প্ৰস্তাৱনা

এই কাকতখনৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া ভাষা আৰু উপভাষাৰ সাধাৰণ পৰিচয় লাভ কৰাৰ লগতে । অসমীয়া ভাষা তথা লিপিৰ মূল, উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে থুলমূল পৰিচয় পাব পৰাকৈ এই কাকতখন যুগুত কৰা হৈছে।

উদ্দেশ্য

1. অসমত প্ৰচলিত ভাষাসমূহৰ সাধাৰণ পৰিচয় প্ৰদান কৰা।
2. অসমীয়া ভাষা আৰু উপভাষা সম্পৰ্কে ছাত্ৰ-ছাত্ৰী সকলক আভাস দিয়া।
3. অসমীয়া ভাষা আৰু আৰ্যভিন্ন ভাষাসমূহৰ ভাষিক উপাদানসমূহৰ আদান-প্ৰদান সম্পৰ্কে পৰিচয় আগবঢ়োৱা।
4. অসমীয়া লিপি আৰু অসমৰ ভাষাৰ লিপিসমূহৰ পৰিচয় প্ৰদান কৰা।

| Unit | Topic | L পাঠদান | T অনুশিক্ষণ | Total মুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| I | অসমৰ ভাষাসমূহৰ পৰিচয়<br>(ক) অসমৰ আৰ্যমূলীয় ভাষাৰ পৰিচয়<br>(খ) অসমৰ আৰ্যভিন্ন ভাষাৰ পৰিচয় | 12 | 03 | 15 | 20 |
| II | অসমীয়া ভাষা আৰু পৰিচয়<br>(ক) অসমীয়া ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য<br>(খ) অসমীয়া ভাষাৰ উপভাষাৰ পৰিচয় | 14 | 04 | 18 | 20 |
| III | অসমীয়া ভাষা আৰু আৰ্যভিন্ন ভাষাৰ আদান- প্ৰদান<br>(ক) অসমীয়া ভাষাত আৰ্যভিন্ন ভাষাৰ উপাদান<br>(খ) অসমৰ আৰ্যভিন্ন ভাষাত অসমীয়া ভাষাৰ উপাদান | 10 | 02 | 12 | 20 |
| IV | অসমীয়া লিপি আৰু অসমৰ অন্যান্য ভাষাৰ লিপি<br>(ক) **অসমীয়া লিপিৰ** উদ্ভৱ আৰু অসমীয়া লিপি<br>(খ) অসমৰ অন্যান্য **ভাষাত ব্যৱহৃত** লিপি | 12 | 03 | 15 | 20 |
| | মুঠ | 48 | 12 | 60 | 80 |

| | |
|---|---|
| আভ্যন্তৰীণ মূল্যায়ণ পদ্ধতি | 20 নম্বৰ |
| (ক) আভ্যন্তৰীণ পৰীক্ষা (এটা ) | 10 নম্বৰ |
| (খ) অন্যান্য ( তলৰ যিকোনো এটা) | 10 নম্বৰ |

* সামূহিক আলোচনা
* আলোচনা পত্ৰ প্ৰস্তুত আৰু উপস্থাপন
* গৃহকৃত কৰ্ম

শিকন পৰিণতি

1. অসমীয়া ভাষাৰ লগতে অসমত প্ৰচলিত ভাষাসমূহৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে জ্ঞান লাভ কৰিব পাৰিব।
2. অসমীয়া ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহৰ সম্পৰ্কে জ্ঞাত হ'ব।
3. অসমীয়া ভাষাৰ ভৌগলিক আৰু নৃগোষ্ঠীয় ঔপভাষিক বৈচিত্ৰ্য সম্পৰ্কে জানিব পাৰিব।
4. আৰ্যভিন্ন ভাষাসমূহৰ সৈতে অসমীয়া ভাষাৰ ভাষিক উপাদানসমূহৰ আদান-প্ৰদান সম্পৰ্কে অৱগত হ'ব।
5. অসমীয়া লিপি আৰু অসমৰ অন্যান্য ভাষাৰ লিপিসমূহৰ পৰিচয় লাভ কৰিব।

প্ৰসংগ পুথি ঃ


| | | |
|---|---|---|
| অসমীয়া ভাষাৰ ব্যাকৰণ | ঃ | উপেন্দ্ৰনাথ গোস্বামী |
| অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ | ঃ | গোলোকচন্দ্ৰ গোস্বামী |
| অসমীয়া ব্যাকৰণ প্ৰৱেশ | ঃ | গোলোকচন্দ্ৰ গোস্বামী |
| অসমীয়া বৰ্ণ প্ৰকাশ | ঃ | গোলোকচন্দ্ৰ গোস্বামী |
| অসমীয়া ভাষাৰ ৰূপতত্ত্ব | ঃ | লীলাৱতী শইকীয়া বৰা |
| অসমীয়া ভাষা | ঃ | ভীমকান্ত বৰুৱা |
| অসমীয়া ভাষা-চিন্তন | ঃ | অৰ্পণা কোঁৱৰ |
| অসমীয়া ভাষাৰ গঠন আৰু বিকাশ | ঃ | বিশ্বেশ্বৰ হাজৰিকা ( অণু) |
| অসমৰ ভাষা | ঃ | ভীমকান্ত বৰুৱা |
| অসমীয়া ভাষা আৰু উপভাষা | ঃ | উপেন ৰাভা হাকাচাম |
| অসমীয়া লিপি | ঃ | উপেন্দ্ৰনাথ গোস্বামী |
| অসমীয়া আৰু অসমৰ ভাষা | ঃ | বিশ্বজিৎ দাস আৰু ফুকন চন্দ্ৰ বসুমতাৰী ( সম্পা.) |
| অসমীয়া ভাষাৰ উপভাষা আৰু লিপি | ঃ | দীপ্তি ফুকন পাটগিৰি (সম্পা.) |
| অসমীয়া উপভাষা আৰু লিপি | ঃ | অৰ্পণা কোঁৱৰ |
| অসমৰ ভাষাৰ বিশ্লেষণাত্মক অধ্যয়ন | ঃ | অৰ্পণা কোঁৱৰ |
| অসমীয়া লিপি আৰু অসমৰ জনজাতীয় ভাষাৰ লিপি | ঃ | জ্যোতিৰেখা হাজৰিকা |
| অসমীয়া সাহিত্য সংস্কৃতিৰ কিছু কথা | ঃ | ভীমকান্ত বৰুৱা, কনক চন্দ্ৰ চহৰীয়া |
| অসমীয়া লিপিৰ পৰিচয় | ঃ | কনক চন্দ্ৰ চহৰীয়া |

Assamese, Its Formation and Development. Kakati B.., LBS, Guwahati, 1995

SEMESTER-II

Title of the Course -অসমীয়া সাহিত্যৰ বুৰঞ্জী

( History of Assamese Literature)

Course code-- ASSA-MI-2014

Nature of the Course- - Minor

Total Credits--04

Distribution of Marks-- 80 ( End Sem)+ 20 ( In-Sem)

প্ৰস্তাৱনা

স্নাতক সাধাৰণ পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া সাহিত্যৰ আৰম্ভণিৰ পৰা ৰামধেনু যুগ পৰ্যন্ত বিভিন্ন যুগসমূহৰে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ আধাৰত সাধাৰণ আভাস দাঙি ধৰাৰ উদ্দেশ্যেৰে এই কাকতখন প্ৰস্তুত কৰা হৈছে।

উদ্দেশ্য

* অসমীয়া সাহিত্যৰ যুগ বিভাজনৰ আভাস দিয়া।
* প্ৰাক শংকৰী, শংকৰী আৰু শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ লগত পৰিচয় কৰি দিয়া।
* আধুনিক অসমীয়া সাহিত্যৰ প্ৰতিষ্ঠাকালৰ বিষয়ে অৱগত কৰোৱা।
* জোনাকী আৰু জোনাকীৰ পৰৱৰ্তী অসমীয়া সাহিত্যৰ এটি থুলমূল আভাস প্ৰদান কৰা।

| Unit | Topic | L পাঠদান | T অনুশিক্ষণ | Total মুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| I | **অসমীয়া সাহিত্যৰ ইতিহাস চৰ্চা** | 08 | 02 | 10 | 14 |
| II | (ক) প্ৰাকশংকৰী যুগৰ সাহিত্য<br>(মাধৱ কন্দলিৰ সাহিত্য- কৃতি)<br>(খ) শংকৰী যুগৰ সাহিত্য (শংকৰদেৱ, মাধৱদেৱ আৰু পীতাম্বৰ কবিৰ সাহিত্য কৃতি)<br>(গ) শংকৰোত্তৰ যুগৰ সাহিত্য<br>(**ব্যৱহাৰিক সাহিত্য**, চৰিত সাহিত্য আৰু বুৰঞ্জী সাহিত্য) | 17 | 02 | 19 | 24 |
| III | আধুনিক অসমীয়া ভাষাৰ সাহিত্যিক পটভূমি আৰু লেখকসকল<br>(গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাৰ অৱদানৰ উল্লেখ) | 10 | 02 | 12 | 18 |
| IV | জোনাকী আৰু উত্তৰ জোনাকী স্তৰৰ সাহিত্য<br>(ক) জোনাকী যুগৰ সাহিত্য<br>( লক্ষ্মীনাথ বেজবৰুৱা আৰু **চন্দ্ৰকুমাৰ আগৰৱালা**)<br>(খ) আৱাহন যুগৰ সাহিত্য (**গল্প, উপন্যাস**) | 17 | 02 | 19 | 24 |
| | মুঠ | 52 | 08 | 60 | 80 |

আভ্যন্তৰীণ মূল্যায়ণ পদ্ধতি 20 নম্বৰ

(ক) আভ্যন্তৰীণ পৰীক্ষা (এটা) 10 নম্বৰ

(খ) অন্যান্য ( তলৰ যিকোনো এটা) 10 নম্বৰ

* সামূহিক আলোচনা
* আলোচনা পত্ৰ প্ৰস্তুত আৰু উপস্থাপন
* গৃহকৃত কৰ্ম

শিকন পৰিণতি

এই কাকতখন পঢ়ি ছাত্ৰ-ছাত্ৰীসকলে--

* অসমীয়া সাহিত্যৰ যুগবিভাজনৰ বিষয়ে আভাস লাভ কৰিব।
* প্ৰাক শংকৰী, শংকৰী আৰু শংকৰদেৱৰ যুগৰ সাহিত্যিকসকলৰ লগতে তেওঁলোকৰ সাহিত্যকৃতি সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব।
* অসমীয়া চৰিত সাহিত্য আৰু বুৰঞ্জী সাহিত্যৰ ধাৰণা আৰু পৰিচিতি লাভ কৰিব।
* মিছনেৰীসকলে অসমীয়া ভাষা-সাহিত্যলৈ আগবঢ়োৱা অৱদানসমূহৰ বিষয়ে পৰিচয় লাভ কৰাৰ লগতে, সেই সময়ৰ অসমীয়া লেখক হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ সাহিত্যিক অৱদানৰ বিষয়ে জানিব পাৰিব।
* জোনাকী আলোচনী আৰু সমসাময়িক অসমীয়া লেখকসকলৰ সাহিত্য-চৰ্চা সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব।
* আৱাহান যুগৰ লেখক আৰু সাহিত্যৰ পৰিচয় পাব।

প্ৰসংগ পুথি ঃ


| | | |
|---|---|---|
| অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী | ঃ | দেবেন্দ্ৰনাথ বেজবৰুৱা |
| অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত | ঃ | সত্যেন্দ্ৰনাথ শৰ্মা |
| অসমীয়া সাহিত্যৰ ৰূপৰেখা | ঃ | মহেশ্বৰ নেওগ |
| অসমীয়া সাহিত্যত দৃষ্টিপাত | ঃ | হেমন্ত কুমাৰ শৰ্মা |
| অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড) | ঃ | বিশ্বেশ্বৰ হাজৰিকা (সম্পা) |
| অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড) | ঃ | শিৱনাথ বৰ্মন (সম্পা) |
| অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড) | ঃ | হোমেন বৰগোহাঞি (সম্পা) |
| অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা | ঃ | লীলা গগৈ (সম্পা) |
| অসমীয়া জন সাহিত্য | ঃ | প্ৰফুল্ল দত্ত গোস্বামী |
| অসমীয়া কবিতাৰ প্ৰবাহ (প্ৰথম খণ্ড) | ঃ | কবীন ফুকন |
| আধুনিক কবিতাৰ ইতিবৃত্ত (ধ্ৰুপদী যুগ) | ঃ | সত্যকাম বৰঠাকুৰ |
| শংকৰদেৱৰ নাটক বিশ্লেষণাত্মক অধ্যয়ন | ঃ | সত্যকাম বৰঠাকুৰ |

SEMESTER-III

Title of the Course .

(Studies on the Culture of Assam)

Course Code . ASSA-MI-3014

Nature of the Course . Minor

Total Credits . 04

Distribution of Marks. 80 (End Sem) + 20 (In-Sem)

প্ৰস্তাৱনা

সংস্কৃতিৰ সাধাৰণ ধাৰণাসহ অসমৰ নৃ-গোষ্ঠী আৰু সংস্কৃতি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰাৰ বাবে এই কাকতখন প্ৰস্তুত কৰা হৈছে।

উদ্দেশ্য

* ছাত্ৰ-ছাত্ৰীসকলক সংস্কৃতিৰ বিষয়ে সম্যক তাত্ত্বিক ধাৰণা প্ৰদান কৰা

* অসমীয়া সংস্কৃতিৰ সংযুতিত বিভিন্ন নৃপ্ৰজাতীয় উপাদানৰ ধাৰণা দিয়া

* অসমৰ নিৰ্বাচিত লোকাচাৰ, লোকবিশ্বাস আৰু আভুষণ সম্পৰ্কে ধাৰণা দিয়া

* অসমৰ স্থাপত্য আৰু ভাস্কৰ্য সম্পৰ্কে ধাৰণা দিয়া

| UNIT | TOPIC | L | T | Total | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| I | সংস্কৃতিৰ সংজ্ঞা, স্বৰূপ আৰু উপাদান<br>সংস্কৃতি অধ্যয়নৰ স্বৰূপ | ১৫ | ০২ | ১৭ | ২৪ |
| II | অসমৰ নৃগোষ্ঠীসমূহৰ পৰিচয়<br>অসমীয়া সংস্কৃতিৰ সমন্বয়ত বিভিন্ন নৃ-গোষ্ঠীয় সংস্কৃতিৰ অৱদান | ১০ | ০২ | ১২ | ১৬ |
| III | অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোকাচাৰ আৰু লোকবিশ্বাস<br>(নিৰ্বাচিত জনগোষ্ঠী ঃ **বড়ো আৰু ডিমাছা কছাৰী**) | ১৪ | ০২ | ১৬ | ২০ |
| IV | অসমৰ পৰম্পৰাগত সাজপাৰ আৰু অয়-অলংকাৰ<br>(নিৰ্বাচিত জনগোষ্ঠী ঃ **মিচিং** আৰু কাৰ্বি) | ১২ | ০৩ | ১৫ | ২০ |
| | Total | ৫১ | ০৯ | ৬০ | ৮০ |

আভ্যন্তৰীণ মূল্যায়ণ পদ্ধতি (20নম্বৰ)

* আভ্যন্তৰীণ পৰীক্ষা (এটা ) (10নম্বৰ)

অন্যান্য (তলৰ যিকোনো এটা) (10 নম্বৰ)

* সামূহিক আলোচনা
* আলোচনা পত্ৰ প্ৰস্তুত আৰু উপস্থাপন
* গৃহকৃত কৰ্ম

শিকন পৰিণতি

এই কাকতখন পঢ়াৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে---

* অসমীয়া সংস্কৃতিৰ সমন্বয়ৰ বিষয়ে এটি সামগ্ৰিক ধাৰণা কৰিব পাৰিব
* অসমীয়া সংস্কৃতিৰ বিষয়ে গৱেষণাৰ বাবে তাত্ত্বিক আধাৰ প্ৰস্তুত কৰিব পাৰিব
* অসমীয়া সংস্কৃতিৰ বিভিন্ন দিশৰ সম্যক ধাৰণা কৰিব পাৰিব

প্ৰসংগ পুথি


অসমীয়া লোকসংস্কৃতিৰ আভাস ঃ নবীন চন্দ্ৰ শৰ্মা
অসমৰ লোকসংস্কৃতি ঃ নিৰ্মলপ্ৰভা বৰদলৈ
অসমৰ লোক-সংস্কৃতি ঃ বিৰিঞ্চি কুমাৰ বৰুৱা
জনজাতি সমাজ-সংস্কৃতি ঃ পদ্ম পাটৰ
অসমৰ সাংস্কৃতিক ঐতিহ্য ঃ মহেশ্বৰ নেওগ
অসমৰ মানুহ, ভুৱনমোহন দাস ঃ অসম সাহিত্য সভা
অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয় ঃ ভুৱনমোহন দাস
অসমৰ জনজাতি ঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য (সম্পা)
অসমৰ লোকসাহিত্য ঃ নবীনচন্দ্ৰ শৰ্মা
লোকতত্ত্ব জিজ্ঞাসা ঃ নীৰাজনা মহন্ত বেজবৰা
উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ লোক সংস্কৃতি ঃ ধৰ্মেশ্বৰ দুৰৰা
ডিমাছা ঃ নিৰূপমা হাগজেৰ
উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় সাজপাৰ আৰু আ-অলংকাৰ ঃ অজন্তা ৰাজখোৱা
A Cultural History of Assam Vol-l, B.K Barua, Gauhati
Folk Literature of Assam, P Goswami, Guwahati
Folklore and Folklife, An Introduction, R.M Dorson, (ed.), Chicago University
Primitive Culture, E.B, Tylor, London
Totem and Taboo, S Freud, London
Tradition to Modernity Essays on Assam, Sivanath Barman, Bhabani Books
Tribal Folktales of Assam, SN Borkakati, Publication Board. Assam
Tribal Studies, Tamo Mibang, MC Behera, Mittal Publication, New Delhi

# SEMESTER-1

Title of the Course . ভাৰতীয় সাহিত্যৰ পৰিচয়

(Introduction to Indian Literature)

Course Code . ASSA-GEC-1013(A)

Nature of the Course .Generric Elective Course

Total Credits . 03

Distribution of Marks . 80 (End Sem)+20 (In-Sem)

প্ৰস্তাৱনা

বহু ভাষাৰে প্ৰকাশ লাভ কৰা ভাৰতীয় সাহিত্যৰ একক ৰূপত পৰিচয় প্ৰদানৰ লগতে নিৰ্বাচিত ৰচনাৰ অধ্যয়নৰ যোগেদি তাৰ কিছু আভাস দিবৰ উদ্দেশ্যৰে এই কাকতখনি পাঠ্যক্ৰমত সন্নিৱিষ্ট কৰা হৈছে।

উদ্দেশ্য

১. ভাৰতীয় সাহিত্যৰ ধাৰণা প্ৰদান কৰা

২.ভাৰতীয় সাহিত্যৰ একক স্বৰূপৰ পৰিচয় কৰাই দিয়া

| UNIT | Topic | L<br>পাঠদান | T<br>অনুশিক্ষণ | Total<br>মুঠ | নম্বৰ<br>বিতৰণ |
|---|---|---|---|---|---|
| I. | ভাৰতীয় সাহিত্যৰ ধাৰণা<br>ভাৰতীয় সাহিত্যৰ ধাৰণাৰ উৎপত্তি আৰু বিকাশ,<br>ভাৰতীয় সাহিত্যৰ বৈশিষ্ট্য | ১২ | ০২ | ১৪ | ২৪ |
| II. | ভাৰতীয় কবিতাৰ চানেকি<br>জীৱনানন্দ দাস (বনলতা সেন)<br>ৰমাকান্ত ৰথ (অশ্বাৰোহী)<br>সৰ্বেশ্বৰ দয়াল সক্সেনা (কাঠৰ ঘন্টাবোৰ) | ০৭ | ০২ | ০৯ | ১৬ |
| III. | ভাৰতীয় চুটিগল্পৰ চানেকি<br>খুৰী আইতা (প্ৰেমচন্দ)<br>জামুগছ (কৃষণ চন্দৰ)<br>হাতী আৰু হাৰিকেন লেম্প (সুপ্ৰিয়া পণ্ডা) | ০৭ | ০২ | ০৯ | ১৬ |
| IV. | ভাৰতীয় উপন্যাস / নাটকৰ চানেকি<br>ক) এটি কলি দুটি পাত<br>মূল ঃ মুল্কৰাজ আনন্দ<br>অনুবাদ ঃ বাবুল তামুলী<br>খ) হানুছ<br>মূল. ভীষ্ম সাহনী<br>অনু. নীৰাজনা মহন্ত বেজবৰা | ১০ | ০৩ | ১৩ | ২০ |
| | মুঠ | ৩৬ | ০৯ | ৪৫ | ৮০ |

আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি (২০ নম্বৰ)

* আভ্যন্তৰীণ পৰীক্ষা (এটা) (১০নম্বৰ)

অন্যান্য (তলৰ যিকোনো এটা) (১০নম্বৰ)

* সামূহিক আলোচনা
* আলোচনা পত্ৰ প্ৰস্তুত আৰু উপস্থাপন
* গৃহকৃত কৰ্ম

শিকন পৰিণতি

* ভাৰতীয় সাহিত্যৰ ধাৰণা লাভ কৰিব

প্ৰসংগ পুথি ঃ


তুলনামূলক ভাৰতীয় সাহিত্য ঃ নীৰাজনা মহন্ত বেজবৰা

আধুনিক ভাৰতীয় সাহিত্য ঃ শৈলেন ভৰালী

কবিতাৰ মাধুকৰী ঃ কৰবী ডেকা হাজৰিকা (সম্পা)

হানুছ ঃ নীৰাজনা মহন্ত বেজবৰুৱা (অনু)

এটি কলি দুটি পাত ঃ বাবুল তামুলী (অনু)

তুলনামূলক সাহিত্যতত্ত্ব ঃ পল্লৱী ডেকা বুজৰবৰুৱা

SEMESTER-1

Title of the Course . সাহিত্য পৰ্যালোচনা

(Literary Appreciation)

Course Code . ASSA-GEC-1013(B)

Nature of the Course .Generic Elective Course

Total Credits . 03

Distribution of Marks . 80 (End Sem)+20 (In-Sem)

প্ৰস্তাৱনা

এই কাকতৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক সাহিত্য পৰ্যালোচনাৰ প্ৰাথমিক ধাৰণাসমূহৰ সৈতে পৰিচয় কৰি দিয়া হ'ব। সাহিত্য পৰ্যালোচনাই কিদৰে পাঠকক এখন গ্ৰন্থৰ সৈতে পৰিচয় কৰি দি গ্ৰন্থখন অধ্যয়নৰ বাবে আগ্ৰহী কৰি তুলিব পাৰে, সেই কৌশলসমূহৰ পৰিচয় ইয়াত প্ৰদান কৰা হ'ব। গণমাধ্যমৰ ক্ৰমাগত বিস্তৃতিৰ মাজত সাহিত্য পৰ্যালোচনা এক পেচাদাৰী বৃত্তিত পৰিণত হৈছে। এই কাকতৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক এনে পেছাৰ বাবে দক্ষ কৰি তোলাৰ প্ৰাথমিক আধাৰটো প্ৰস্তুত কৰা হব।

উদ্দেশ্য

১. ছাত্ৰা-ছাত্ৰীসকলক সাহিত্য পৰ্যালোচনাৰ প্ৰাথমিক ধাৰণাসমূহৰ সৈতে পৰিচয় কৰি দিয়া হব

২. পাঠকক গ্ৰন্থৰ সৈতে পৰিচয় কৰাই গ্ৰন্থ অধ্যয়নৰ বাবে আগ্ৰহী কৰি তোলাৰ কৌশলসমূহৰ পৰিচয় কৰি দিয়া হব

| Unit | Topic | L পাঠদান | T অনুশিক্ষণ | P | Total | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|---|
| I. | সাহিত্য পৰ্যালোচনাৰ তাত্ত্বিক প্ৰসংগ ঃ<br>সাহিত্য পৰ্যালোচনাৰ সংজ্ঞা<br>সাহিত্য পৰ্যালোচনাৰ পদ্ধতি (পৰিচয়মূলক, বিশ্লেষণাত্মক সমীক্ষাত্মক) | ৭ | ০৪ | | ১১ | ২৫ |
| II. | সাহিত্য পৰ্যালোচনাৰ পৰ্যবেক্ষণীয় উপাদান ঃ<br>প্লট, বিষয়, ষ্টাইল, মেজাজ, বাক্ বিন্যাস প্ৰণালী (Diction), সাহিত্যিক উপকৰণসমূহ সাহিত্য পৰ্যালোচনা আৰু সাহিত্য সমালোচনাৰ মাজৰ পাৰ্থক্য | ৮ | ০৪ | | ১২ | ২৫ |
| III. | সাহিত্য পৰ্যালোচনাৰ অভিগমন (Approach) আৰু স্তৰ ঃ<br>অভিগমন ঃ সাহিত্যকৰ্মৰ পৰিপ্ৰেক্ষিত, গঠন, সাহিত্যিক উপকৰণ, সাৰবস্তু<br>স্তৰ ঃ পঠন, ৰসাস্বাদন, সংশ্লেষণ, পৰ্যালোচনা | ১০ | ০৫ | | ১৫ | ২০ |
| IV. | পৰ্যালোচনাৰ বাবে নিৰ্বাচিত পাঠ (বিষয় শিক্ষকে চমু পাঠ নিৰ্বাচন কৰি পৰ্যালোচনা কৰিবলৈ শিকাব) | | | ০৭ | ০৭ | ১০ |
| | Total | ২৫ | ১৩ | ০৭ | ৪৫ | ৮০ |

আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি (২০ নম্বৰ)

আভ্যন্তৰীণ পৰীক্ষা (এটা) (১০নম্বৰ)

অন্যান্য (তলৰ যিকোনো এটা) (১০নম্বৰ)

* সামূহিক আলোচনা
* আলোচনা পত্ৰ প্ৰস্তুত আৰু উপস্থাপন
* গৃহকৃত কৰ্ম

শিকন পৰিণতিঃ

গণমাধ্যমৰ ক্ৰমাগত বিস্তৃতিৰ মাজত সাহিত্য পৰ্যালোচনা এক পেচাদাৰী বৃত্তিক পৰিণত হৈছে। এই কাকতৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক এনে পেছাৰ বাবে দক্ষ কৰি তোলাৰ প্ৰাথমিক আধাৰটো প্ৰস্তুত কৰা হ'ব।

প্ৰসংগ পুথি ঃ

উপন্যাসৰ আধুনিক সমালোচনা (১ম আৰু ২য় খণ্ড) ঃ ড° হীৰেন গোহাঁই

কবিতাৰ বিচাৰ আৰু নতুন সমালোচনা ঃ ড° হীৰেন গোহাঁই

সাহিত্য আৰু চেতনা ঃ ড° হীৰেন গোহাঁই

কবিতাৰ সবিশেষ ঃ ইমদাদউল্লাহ

চুটিগল্প ঃ উদয় দত্ত

সাহিত্য সমালোচনা তত্ত্বৰ চমু পৰিচয় ঃ ড০ আনন্দ বৰমুদৈ

সাহিত্য উপক্ৰমণিকা ঃ মহেন্দ্ৰ বৰা

সাহিত্য তত্ত্ব আৰু সমালোচনা তত্ত্ব ঃ নাহেন্দ্ৰ পাদুন

Elements of Literature Essay, Fiction, Poetry, Drama, Film- Robert Scholes and others (Oxford)

The Making of Literature- R.A. Scott-James

An Introduction to Study of Literature- W.H. Hudson

SEMESTER-2

Title of the Course . সৃষ্টিশীল লেখন (Creative Writing)

(Personality Development and Soft Skill)

Course Code . ASSA-GEC-2013(A)

Nature of the Course .Generic Elective Course

Total Credits . o3

Distribution of Marks . 80 (End Sem)+20 (In-Sem)

| Unit Topic | L পাঠদান | T অনুশিক্ষণ | P ব্যৱহাৰিক | Total | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| I. সৃষ্টিশীল সাহিত্যৰ তাত্বিক প্ৰসংগ | ০৬ | ০২ | ০৮ | ০৮ | ২০ |
| II. সৃষ্টিশীল সাহিত্যৰ সাধন প্ৰণালী(mode)ঃ<br>* ব্যাখ্যামূলক (Expository)<br>*বৰ্ণনামূলক (Descriptive or Expressive)<br>* প্ৰত্যয়মূলক (Persuasive)<br>* বৃত্তান্তমূলক (Narrative) | ০৬ | ০২ | ০৮ | ০৮ | ২০ |
| III. * সৃষ্টিশীল সাহিত্যত কল্পনাৰ প্ৰয়োগ<br>* সৃষ্টিশীল সাহিত্যত লেখক আৰু পাঠকৰ সম্পৰ্ক<br>* বাস্তৱৰ পুনৰ গঠন আৰু সৃষ্টিশীল সাহিত্য<br>*নিৰ্ধাৰিত ছবি, বিষয় আদিৰ আধাৰত সৃষ্টিশীল সাহিত্য ৰচনাৰ আভাষ (বিষয় শিক্ষকে ছবি, বিষয় আদি নিজাকৈ বাছি দিব) | ১৫ | | | ১৫ | ২৫ |
| IV. * গল্পৰ উপকৰণ আৰু গল্প লিখাৰ কৌশল তথা অভ্যাস<br>* কবিতাৰ উপকৰণ আৰু কবিতা লিখাৰ কৌশল তথা অভ্যাস<br>* গ্ৰন্থ পৰ্যালোচনীৰ উপকৰণ আৰু গ্ৰন্থ পৰ্যলোচনা লিখাৰ কৌশল তথা অভ্যাস | ১৫ | | | ১০ | ১৫ |
| V. ব্যৱহাৰিক প্ৰকল্প (একমাত্ৰ আভ্যন্তৰীণ মূল্যায়নৰ বাবে) | | | ০৮ | ০৮ | |
| Total | | | | ৪৫ | ৮০ |

আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি

| | |
|---|---|
| আভ্যন্তৰীণ পৰীক্ষা (এটা) | (২০নম্বৰ) |
| ব্যৱহাৰিক প্ৰকল্প | (১০নম্বৰ) |
| | (১০নম্বৰ) |

শিকন পৰিণতি

এই কাকত অধ্যয়নৰ কৰাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে

* নিজৰ সৃষ্টিশীল লেখন কৌশলৰ বিকাশ কৰিব পাৰিব।
* সৃষ্টিশীল সাহিত্যৰ বিষয়ে প্ৰাথমিক ধাৰণাসমূহ স্পষ্ট কৰিব পাৰিব।
* মানসিক তথা কাৰিকৰী প্ৰস্তুতিৰে সৃষ্টিশীল সাহিত্য ৰচনাৰ কৌশলসমূহ প্ৰয়োগৰ বাবে অনুপ্ৰাণিত হ'ব।

প্ৰসংগ পুথি ঃ


* Back to Creative Writing school. Bridget Whelan, Create Space Independen Publishing Forum, 2014
*Writing Tools. 55 Essential Strategies for Every Writer. Roy Peter Clark, Little Brown &Com, 2008
* On Writing Well. The Classic Guide to Writing Non- Fiction. William Zinsser, Harper Perennial, 2016
* Cambridge Companion to Creative Writing. Ed. David Morley and Philip Norton, Cambridge University Press, 2012
* The Routledge Creative Writing Coursebook. Paul Mills, Routledge

SEMESTER-2

Title of the Course . উত্তৰ-পূব ভাৰতৰ সাহিত্য

(Literature of North East India)

Course Code . ASSA-GEC-2013(B)

Nature of the Course .Generic Elective Course

Total Credits . 03

Distribution of Marks . 80 (End Sem)+20 (In-Sem)

প্রস্তাৱনা

উত্র-পূব ভাৰত বিভিন্ন জাতি-জনগোষ্ঠীৰ বসতিস্থল উত্তৰ-পূব ভাৰতৰ সাহিত্যত জনগোষ্ঠীয় চিন্তা-চেতনা আৰু জীৱনচর্যাৰ প্রতিফলন ঘটে। এই সাহিত্যৰ অধ্যয়নে ভাৰতীয় চিন্তাৰ জাতীয় স্রোতৰ সৈতে উত্তৰ-পূবৰ সংযোগসূত্র নির্ণয় কৰাত সহায় কৰিব। এই পাঠ্যক্রমত উত্তৰ-পূব ভাৰত বিভিন্ন জনগোষ্ঠীয় জীৱনক প্রতিনিধিত্ব কৰা নির্বাচিত পাঠ অন্তর্ভুক্ত কৰা হৈছে।

উদ্দেশ্য

উত্তৰ-পূব ভাৰতৰ বিভিন্ন ভাষাত ৰচিত সাহিত্যৰাজিৰ সৈতে ছাত্র-ছাত্রীক পৰিচয় কৰাই দিয়া।

সাহিত্যৰ মাজেৰে প্রতিফলিত উত্তৰ-পূব ভাৰতৰ জীৱন-চর্যাৰ সৈতে পৰিচয় কৰাই দিয়া।

| বিভাগ UNIT | বিষয় TOPIC | পাঠদান (LECTURE) | অনুশিক্ষণ (TUTORIAL) | মুঠ (TOTAL) | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| I. | উত্তৰ-পূব ভাৰতৰ সাধাৰণ পৰিচয় | ০৫ | ০২ | ০৭ | ১৪ |
| II. | নির্বাচিত পাঠঃ উপন্যাস ঃ সনাতম্বী (মণিপুৰী) মূলঃ বিনোদিনী, অনুঃইন্দ্রমণি ৰাজকুমাৰ) | ১০ | ০২ | ১২ | ২৪ |
| III. | গল্প<br>'মৃত্যু' - (অৰুণাচলী লেখকে অসমীয়া ভাষাত লিখা) - য়েছে দৰজে ঠংচি<br>'ডগ্রি'- (বড়োগল্প, মূলঃপ্রসেনজিৎ ব্রহ্ম অনুঃবিৰূপাক্ষ গিৰি বসুমতাৰী)<br>'গুৰিয়াল' (কার্বিলেখকে অসমীয়া ভাষাত লিখা)- অজিত ছিংনাৰ | ১০ | ০২ | ১২ | ১৮ |
| IV. | নির্বাচিত পাঠ<br>আত্মজীৱনীঃ<br>'মোৰ জীৱনটো' -- (মূলঃ টেমচুলা আও, অনুঃ লক্ষ্যজ্যোতি গগৈ সন্দিকৈ<br>কবিতাঃ<br>'মোৰ ঘৰ' (ককবৰক কবিতা, মূলঃ চন্দ্রকান্ত মুড়া সিং, অনুঃপ্রাণজিৎ বৰা) | ১২ | ০২ | ১৪ | ২৪ |
| | সর্বমুঠ (GRAND TOTAL) | ৩৭ | ০৮ | ৪৫ | ৮০ |

আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি (২০ নম্বৰ)

* আভ্যন্তৰীণ পৰীক্ষা (এটা) (১০নম্বৰ)
*অন্যান্য (তলৰ যিকোনো এটা) (১০নম্বৰ)
* সামূহিক আলোচনা
* আলোচনা পত্ৰ প্ৰস্তুত আৰু উপস্থাপন
* গৃহকৃত কৰ্ম

শিকন পৰিণতি

* ভাৰতীয় চিন্তাৰ জাতীয় স্ৰোতৰ সৈতে উত্তৰ-পূব সংযোগসূত্ৰ নিৰ্ণয় কাৰত সহায় কৰিব।

প্ৰসংগ পুথি ঃ


Tilottoma Mishra (Ed), The Oxford Anthology of Writings form North-East India (Fiction Oxford University Press, 2011

ইন্দ্ৰমণি ৰাজকুমাৰ (অনু) সনাতম্বী (মূলঃ মণিপুৰী, লেখক বিনোদিনী)

য়েছে দৰজে ঠংচি ধাৰ আৰু অন্যান্য গল্প, বনলতা, গুৱাহাটী-১

ভীম বৰুৱা (সম্পা) সল'মালা, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০০৯

অজিত ছিন্নাৰ পৰুৱাই পোৱা মানুহ, থেংৰাক পাব্লিকেছন্‌ছ, কাৰ্বি আংলং, ২০১১

লক্ষ্যজ্যোতি গগৈ সন্দিকৈ (অনু) 'মোৰ জীৱনটো' - (মূলঃ ইংৰাজী, লেখকঃ টেমচুলা আও), আঁকবাক, গুৱাহাটী,২০১৮

প্ৰাণজিৎ বৰা সুবৰ্ণৰেখা, পাঞ্চজন্য, ২০১৫

**SEMESTER-III**

**Title of the Course : অনুবাদঃ তত্ত্ব আৰু প্ৰয়োগ**
**(Translation : Theory and Application)**
**Course Code : ASSA-GEC-3013(A)**
**Nature of the Course : Generic Elective Course**
**Total Credits : 03**
**Distribution of Marks : 80 (End Sem) + 20 (In-Sem)**

## প্ৰস্তাৱনা

বিভিন্ন প্ৰকাৰেৰে সৈতে অনুবাদৰ পৰিচয় প্ৰদান কৰি অনুবাদ কাৰ্যৰ পদ্ধতি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰোৱাটো এই পাঠ্যত্ৰ মৰ মুখ্য উদ্দেশ্য।

## উদ্দেশ্য

- বিভিন্ন প্ৰকাৰেৰে সৈতে অনুবাদ কৰ্মৰ পৰিচয় প্ৰদান।
- বৰ্তমান সময়ত ইয়াৰ প্ৰয়োজনীয়তা।
- অনুবাদ কাৰ্যৰ পদ্ধতি সম্পৰ্কে পৰিচয় প্ৰদান।
- অনুবাদৰ প্ৰায়োগিক অভ্যাসৰ সুযোগ প্ৰদান।

| UNIT | TOPIC | L<br>পাঠদান | T<br>অনুশিক্ষণ | P<br>ব্যৱহাৰিক | Total | নম্বৰ<br>বিতৰণ |
|---|---|---|---|---|---|---|
| I | অনুবাদ ঃ সংজ্ঞা, উদ্দেশ্য আৰু প্ৰয়োজনীয়তা | ৮ | ৩ | | ১১ | ১৬ |
| II | অনুবাদৰ বিভিন্ন প্ৰকাৰ | ৮ | ৩ | | ১১ | ২২ |
| III | অনুবাদৰ পদ্ধতি আৰু ব্যৱহাৰিক সমস্যাৰ আভাস | ৯ | ৩ | | ১২ | ২৪ |
| IV | অনুবাদৰ অনুশীলন | | | ১২ | ১২ | ১৮ |
| | **Total** | ২৫ | ৯ | ১২ | ৪৫ | ৮০ |

**আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি** (২০ নম্বৰ)

- আভ্যন্তৰীণ পৰীক্ষা (এটা) (১০ নম্বৰ)
- অনুবাদৰ অনুশীলন (১০ নম্বৰ)

## শিকনপৰিণতি

- অনুবাদৰ তাত্ত্বিক আৰু প্ৰায়োগিক দিশৰ লগত জড়িত হ'ব
- অনুবাদক বৃত্তিৰূপে গ্ৰহণ কৰাৰ বাবে আগ্ৰহী হ'ব

**প্ৰসংগ পুথি ঃ**

*অনুবাদ ঃ তত্ত্ব আৰু প্ৰয়োগ* ঃ নীৰাজনা মহন্ত বেজবৰা, বনলতা, ডিব্ৰুগড়

*তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ* ঃ প্ৰফুল্ল কটকী, জ্যোতি প্ৰকাশন, গুৱাহাটী*তুলনামূলক সাহিত্য আৰু অনুবাদ কলা* ঃ কৰবী ডেকা হাজৰিকা, বনলতা, ডিব্ৰুগড়

## SEMESTER-III

**Title of the Course : উত্তৰ-পূব ভাৰতৰ ভাষাৰ পৰিচয়**
**(Introduction to Language of North-East India)**

**Course Code : ASS GEC 301 (B)**
**Nature of the Course : Generic Elective Course**
**Total Credits : 03**
**Distribution of Marks : 80 (End Sem) + 20 (In-Sem)**

**প্ৰস্তাৱনা**

এইপাঠ্যক্ৰমৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে উত্তৰ-পূবভাৰতৰ সাতোখন ৰাজ্যত প্ৰচলনহৈ থকা ভাষা-পৰিয়ালসমূহৰ অন্তৰ্গত ভাষাসমূহৰ বিষয়ে পৰিচয়সূচক জ্ঞান লাভ কৰিব।তদুপৰি এই ভাষাসমূহৰ প্ৰচলন আৰু ভাষাসমূহৰ ভাষিক স্থিতি সম্পৰ্কে অৱগত হ'ব ।

**উদ্দেশ্য**

১. উত্তৰ-পূব ভাৰতৰ ভাষাসমূহৰ পৰিচয় দিয়া।
২. ভাষাসমূহৰ প্ৰচলিত অঞ্চলসমূহ চিনাক্ত কৰা।
৩. ভাষিক স্থিতি সম্পৰ্কে জ্ঞান প্ৰদান কৰা।

| UNIT | TOPIC | L<br>পাঠদান | T<br>অনুশিক্ষণ | Total | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| I | **উত্তৰ- পূব ভাৰতৰ ভাষাৰ পৰিচয়** | ০৮ | ০২ | ১০ | ২২ |
| II | উত্তৰ-পূব ভাৰতৰ ভাষাৰ অঞ্চলভিত্তিক পৰিচয় | ০৮ | ০৩ | ১১ | ২২ |
| III | ভাষিক স্থিতি | ১০ | ০১ | ১১ | ১৬ |
| IV | ভাষিক বৈশিষ্ট্য<br>**টাইফাকে, কাৰ্বি, নাগামিজ** | ১২ | ১ | ১৩ | ২০ |
| | **Total** | ৩৮ | ০৭ | ৪৫ | ৮০ |

**আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি** (২০ নম্বৰ)

- আভ্যন্তৰীণ পৰীক্ষা (এটা) (১০ নম্বৰ)
- অন্যান্য (তলৰ যিকোনো এটা) (১০ নম্বৰ)
  - সামূহিক আলোচনা
  - আলোচনা পত্ৰ প্ৰস্তুত আৰু উপস্থাপন
  - গৃহকৃত কৰ্ম

**শিকন পৰিণিতি**

১. উত্তৰ পূব ভাৰতৰ ভাষাসমূহৰ এটি সম্যক পৰিচয় লাভ কৰিব।

২. উত্তৰ পূব ভাৰতৰ ভাষাসমূহৰ ভাষিক স্থিতি সম্পৰ্কে অৱগত হ'ব।

৩. উত্তৰ পূব ভাৰতত প্ৰচলিত বিভিন্ন ভাষাসমূহৰ প্ৰণালীবদ্ধ অধ্যয়ন আৰু ভৱিষ্যতে গৱেষণাৰ বাবে অনুপ্ৰেৰণা লাভ কৰিব।

**প্ৰসংগ পুথি**


*অসমৰ ভাষাঃ* ভীমকান্ত বৰুৱা , বনলতা, ডিব্ৰুগড়

*অসমৰ ভাষাৰ বি ষণাত্মক অধ্যয়ন ঃ* অৰ্পণা কোঁৱৰ, বনলতা, ডিব্ৰুগড়।

*উত্তৰ পূৰ্বাঞ্চলৰ ভাষা ঃ* অৰ্পণা কোঁৱৰ, বনলতা, ডিব্ৰুগড়

*অসমীয়া আৰু অসমৰ তিব্বত - বৰ্মীয় ভাষা ঃ* উপেন ৰাভা হাকাছাম, হাকাচাম কাওছাকাম,

*Linguistic Survey of India : Grierson*

*Linguistic studies on North East Languages : Arpana Konwar*

SEMESTER-1

Title of the Course . অসমীয়া ভাষাৰ কৌশল আৰু দক্ষতা বিভাগ

(Skill and ability enhancement in Assamese Language)

Course Code . ASSA-AEC-1014

Nature of the Course .Ability Enhancement Course

Total Credits . 03

Distribution of Marks . 80 (End Sem)+20 (In-Sem)

প্ৰস্তাৱনা

অসমীয়া ভাষাৰ কথন আৰু লিখন কৌশলৰ দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিবৰ বাবে এই কাকতখন প্ৰস্তুত কৰা হৈছে। দৈনন্দিন ব্যৱহাৰিক ক্ষেত্ৰত অসমীয়া ভাষাৰে বিভিন্নধৰণৰ যোগাযোগ কাৰ্য সম্পাদন কৰাত এই কাকতখন সহায়ক হ'ব।

উদ্দেশ্য

* অসমীয়া ভাষাৰ শুদ্ধ উচ্চাৰণ আৰু শব্দৰ প্ৰয়োগৰ ক্ষেত্ৰত সচেতন কৰা।

* অসমীয়া ভাষাৰ বিভিন্ন লেখন কৌশলসমূহৰ পৰিচয় কৰোৱা।

* দৈনন্দিন ব্যৱহাৰিক ক্ষেত্ৰত অসমীয়া ভাষাৰ যোগাযোগ বৃদ্ধি কৰা।

| অনুক্ৰম | বিষয় | পাঠদান | অনুশিক্ষণ | মুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| I. | অসমীয়া ভাষাৰ কথন আৰু লেখন কৌশল<br>উচ্চাৰণ, স্পষ্টতা, সাময়িক বিৰতি, শব্দ প্ৰয়োগ, বক্তৃতা (শিক্ষকে নিৰ্বাচন কৰি দিব) **কথনৰ বেগ শব্দ গঠন, স্পষ্টতা,** আখৰ জোঁটনি, বাক্যগাঁঠনি, জতুৱা প্ৰয়োগ, ভাল লেখনৰ বৈশিষ্ট্য, **যতি চিহ্নত সততে পৰিলক্ষিত হোৱা ভুল, সমোচ্চাৰিত শব্দৰ প্ৰয়োগ** | ১৫ | ৩ | ১৮ | ২২ |
| II. | অসমীয়া ভাষাৰ ব্যৱহাৰিক প্ৰয়োগ-১<br>আবেদন-পত্ৰ লিখন, কাৰ্যবিৱৰণি লেখন, স্মাৰক পত্ৰ, নিমন্ত্ৰণীপত্ৰ, বিজ্ঞাপন আৰু প্ৰতিবেদন প্ৰস্তুতকৰণ/**সম্বৰ্দ্ধনা/অভিনন্দন পত্ৰ** | ১২ | ৩ | ১৫ | ২৪ |
| III. | অসমীয়া ভাষাৰ ব্যৱহাৰিক প্ৰয়োগ- ২<br>শিক্ষকে নিৰ্বাচন কৰি দিয়া বিষয়ত বিদ্যায়তনিক প্ৰবন্ধ ৰচনা আৰু নিৰ্বাচিত সাহিত্য পাঠৰ সমালোচনা | ৫ | ১০ | ১৫ | ১৫ |
| IV. | নিৰ্বাচিত পাঠৰ আধাৰত ভাষা-সাহিত্যৰ বোধগম্যতাৰ পৰীক্ষণ<br>সাৰথি * যতীন্দ্ৰনাথ দুৱৰা - মোৰ শেষ পাঠ (যতীন্দ্ৰনাথ দুৱাৰৰ ৰচনাৱলী, সম্পাঃ লক্ষ্মীনাথ তামুলী)<br>* হেম বৰুৱা - ভাৰতীয় সংস্কৃতি (শ্ৰেষ্ঠ অসমীয়া নিৰ্বাচিত প্ৰবন্ধ (দ্বিতীয় খণ্ড), সম্পাঃ হোমেন বৰগোহাঞি)<br>* ড০হীৰেন গোহাঁই - মানুহ শংকৰদেৱ (শ্ৰেষ্ঠ অসমীয়া নিৰ্বাচিত প্ৰবন্ধ (দ্বিতীয় খণ্ড), সম্পাঃ হোমেন বৰগোহাঞি)<br>*বেণুধৰ শৰ্মা - অসমীয়া চাহৰ আঁতি-গুৰি, (বেণুধৰ শৰ্মা ৰচনাৱলী (দ্বিতীয় খণ্ড)<br>*** দীনেশ চন্দ্ৰ গোস্বামী - বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰোঁ বৈজ্ঞানিক মন আৰু বৈজ্ঞানিক মানসিকতা আৰু বিকাশ (অসমীয়া বিজ্ঞান সাহিত্য, সম্পা. ড০অৰবিন্দ ৰাজখোৱা)** | ১০ | ৪ | ১২ | ১৯ |

আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি (২০ নম্বৰ)

আভ্যন্তৰীণ পৰীক্ষা (এটা) (১০নম্বৰ)

অন্যান্য (তলৰ যিকোনো এটা) (১০নম্বৰ)

* সামূহিক আলোচনা
* আলোচনা পত্ৰ প্ৰস্তুত আৰু উপস্থাপন
* গৃহকৃত কৰ্ম

শিকন পৰিণতি

* অসমীয়া ভাষাৰ কথন দক্ষতাৰ বিকাশ হ'ব।
* অসমীয়া ভাষাৰ লেখন দক্ষতাৰ বিকাশ হ'ব।
* ব্যৱহাৰিক ক্ষেত্ৰত অসমীয়া ভাষাৰ মাধ্যমেৰে আনুষ্ঠানিক যোগাযোগৰ কৌশল আয়ত্ব কৰিব পাৰিব।

প্ৰসংগ পুথি ঃ


ব্যক্তিত্ব, সুকুমাৰ কৌশল আৰু যোগাযোগ ঃ নীৰাজনা মহন্ত বেজবৰা

অসমীয়া ভাষাৰ উচ্চাৰণ ঃ গোলোকচন্দ্ৰ গোস্বামী

ব্যৱহাৰিক অসমীয়া অভিধান ঃ বসন্ত কুমাৰ গোস্বামী

নিকা অসমীয়া ভাষা ঃ মহেশ্বৰ নেওগ

অসমীয়া ব্যাকৰণ প্ৰৱেশ ঃ গোলোকচন্দ্ৰ গোস্বামী

বিজ্ঞান লেখকৰ হাতপুথি ঃ দীনেশ চন্দ্ৰ গোস্বামী

সাৰথি ঃ সত্যনাথ বৰা

অসমীয়া আখৰ জোঁটনিৰ কথা ঃ শিৱনাথ বৰ্মন

অসমীয়া ভাষা চিন্তন ঃ ড° অৰ্পনা কোঁৱৰ

আখৰ জোঁটনিৰ সমস্যা ঃ সতীশ চন্দ্ৰ চৌধুৰী

## SEMESTER-1

Title of the Course . ব্যক্তিত্ব বিকাশ আৰু সুকুমাৰ কৌশল

(Personality Development and Soft Skill)

Course Code . ASSA-SEC-1013

Nature of the Course .Skill Enhancement Course

Total Credits 03

Distribution of Marks . 80 (End Sem)+20 (In-Sem)

প্রস্তাৱনা

বৰ্তমান আৰু ভবিষ্যতে ব্যক্তিগত তথা সামূহিক জীৱনত সফলতা লাভৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ উপযুক্ত বিকাশৰ দিশটোৰ গুৰুত্ব উপলব্ধি কৰি এই পাঠ্যক্ৰমটি আগবঢ়োৱা হৈছে। ইয়াত অসমীয়াত আৰু লগতে ইংৰাজীকে ধৰি আন আন ভাষাটো উপলব্ধ গ্ৰন্থ, ৰচনা আদিৰ যোগেদি ব্যক্তিত্ব গঠনৰ উপাদান, ব্যক্তিত্ব আৰু ব্যক্তিত্ব বিকাশৰ লগত জড়িত বিভিন্ন দিশ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলৰ এৱগত কৰোৱা হ'ব। ব্যক্তিত্বৰ বিকাশত সুকুমাৰ কৌশল (Soft Skills) সমূহৰ মুখ্য ভূমিকা থকাৰ কথাটোলৈ লক্ষ্য ৰাখি এনে কৌশলসমূহৰ সাধাৰণ পৰিচয় তথা প্ৰয়োগৰ প্ৰসংগ থাকিব।

উদ্দেশ্য

ব্যক্তিত্ব গঠনৰ উপাদান, ব্যক্তিত্ব আৰু ব্যক্তিত্ব বিকাশৰ লগত জড়িত বিভিন্ন দিশ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰোৱা

| Unit | Topic | পাঠদান | অনুশিক্ষণ | মুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| I. | ব্যক্তিত্বৰ ধাৰণা | ৮ | ৩ | ১১ | ১৪ |
| II. | ব্যক্তিত্ব বিকাশৰ বিভিন্ন দিশ | ৮ | ৩ | ১১ | ২০ |
| III. | ব্যক্তিত্ব বিকাশত সুকুমাৰ কৌশলৰ ভূমিকা | ৮ | ৩ | ১১ | ২০ |
| IV. | নিৰ্বাচিত পাঠ<br>ক) কামত কৃতিত্ব লভিবৰ সংকেত লক্ষ্মীনাথ বেজবৰুৱা<br>খ) শ্ৰম (সাৰথি)-সত্যনাথ বৰা<br>গ) প্ৰজ্ঞাৰ সাধনা (প্ৰজ্ঞাৰ সাধনা) হোমেন বৰগোহাঞি<br>ঘ) জীৱন আৰু যৌৱন (জীৱন কলা)-প্ৰহ্লাদ কুমাৰ বৰুৱা | ৮ | ৪ | ১২ | ২৪ |
| | Total | ৩২ | ১৩ | ৪৫ | ৮০ |

আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি (২০ নম্বৰ)

আভ্যন্তৰীণ পৰীক্ষা (এটা) (১০নম্বৰ)

অন্যান্য (তলৰ যিকোনো এটা) (১০নম্বৰ)

* সামূহিক আলোচনা
* আলোচনা পত্ৰ প্ৰস্তুত আৰু উপস্থাপন
* গৃহকৃত কৰ্ম

শিকন পৰিণতি

* ব্যক্তিত্বৰ বিকাশৰ লগত জড়িত বিভিন্ন দিশ সম্পৰ্কে অৱগত হৈ ছাত্ৰ-ছাত্ৰীসকলে এক শক্তিশালী ব্যক্তিত্ব গঢ় দিয়াত সহায়ক হ'ব।
* অসমীয়া ভাষাত লিখা ব্যক্তিত্ব বিকাশ সম্পৰ্কীয় গ্ৰন্থসমূহৰ বিষয়ে ধাৰণা লাভ কৰিব।

প্ৰসংগ পুথি ঃ

ব্যক্তিত্ব, সুকুমাৰ কৌশল আৰু যোগাযোগ ঃ নীৰাজনা মহন্ত বেজবৰা

সাৰথি ঃ সত্যনাথ বৰা

SEMESTER-2

Course No.

SEMESTER-II

Title of the Course . কম্পিউটাৰত অসমীয়া ভাষাৰ ব্যৱহাৰ

(Application of Assamese Languge in Computer)

Course Code . ASSA-SEC-2013(A)

Nature of the Course. Skill Enhancement Course

Total Credits . o3

Distribution of Marks . 80 (End Sem)+20 (In-Sem)

প্ৰস্তাৱনা

কম্পিউটাৰ আৰু তথ্য প্ৰযুক্তিৰ লগত ছাত্ৰ-ছাত্ৰীক অভ্যস্ত কৰা আৰু অসমীয়া ডিটিপিৰ সম্পূৰ্ণ জ্ঞান আহৰণ কৰি প্ৰকাশনৰ বহল ক্ষেত্ৰখনত সংস্থাপনৰ সম্ভাৱনাক লক্ষ্য হিচাপে লৈ এই পাঠ্যক্ৰম আগবঢ়োৱা হৈছে। ই এফালে অসমীয়া ফন্ট আৰু কীবৰ্ডসমূহৰ ধাৰণা স্পষ্ট কৰিব আনফালে অসমীয়া ডিটিপিৰ জ্ঞান থকা অভিজ্ঞ ব্যক্তিৰ অভাৱ পূৰণ কৰিব।

উদ্দেশ্য

* কম্পিউটাৰ আৰু তথ্য প্ৰযুক্তিৰ লগত ছাত্ৰ-ছাত্ৰীক অভ্যস্ত কৰা

* অসমীয়া ডিটিপিৰ সম্পূৰ্ণ জ্ঞান প্ৰদান কৰা

| Unit | Topic | L | P | Total | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| I. | কম্পিউটাৰ ব্যৱহাৰৰ সাধাৰণ জ্ঞান<br>মাইক্ৰ'ছফট (ৱৰ্ড, পাৱাৰপইন্ট), এডব (পেজমেকাৰ, ফট'ছপ, ইনডিজাইন)ত ফাইল বনোৱা (Create), ফাইল খোলা (Open), আৰু এইবিলাক টাইপিং কৰাৰ সাধাৰণ জ্ঞান। | ১০ | | ১০ | ২০ |
| II. | ক) কম্পিউটাৰত অসমীয়া টাইপিং কৰা বিভিন্ন ছফ্‌টৱেৰৰ পৰিচয়-ৰামধেনু, উইনলিপি, ৰ'দালি, অভ্ৰ. আদি।<br>খ) ইউনিক'ডৰ ধাৰণা<br>গ) ইউনিক'ড সমৰ্থিত অসমীয়া ফন্ট<br>ঘ) অনা-ইউনিক'ড অসমীয়া ফন্ট | ১০ | | ১০ | ২০ |
| III. | কম্পিউটাৰত অসমীয়া ভাষাঃ প্ৰায়োগিক দিশ-<br>ক) কীবৰ্ডত আখৰ চিনাকি<br>খ) টাইপিং<br>গ) প্ৰিন্ট<br>ঘ) আৰ্হি কাকত পৰীক্ষণ আৰু **সম্পাদনা**<br>ঙ) **কম্পিউটাৰ যোগে অসমীয়া ভাষাৰ অক্ষৰ বিন্যাস আৰু সংজ্ঞা** | ০৫ | ১০ | ১৫ | ২০ |
| IV. | অংগসজ্জা (Layout) ৰ ধাৰণা<br>ক) পেজমেকাৰত A4 , Legal, Letterhalf আদি বিভিন্ন পেজত ছেটিং।<br>খ) মাইক্ৰ ছফ্‌ট পাৱাৰপইন্টত বিভিন্ন পেজ আৰু ফন্টৰ লেআউট | ০৫ | ০৫ | ১০ | ২০ |
| | মুঠ | | | ৪৫ | ৮০ |

চূড়ান্ত পৰীক্ষাৰ মূল্যায়নৰ পদ্ধতি ঃ
৬০ নম্বৰৰ ব্যৱহাৰিক পৰীক্ষা আৰু ২০ নম্বৰৰ মৌখিক অৱতীৰ্ণ হ'ব লাগিব।

আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি

| | |
|---|---|
| * আভ্যান্তৰীণ পৰীক্ষা (এটা) | (২০নম্বৰ) |
| * ব্যৱহাৰিক পৰীক্ষা | (১০নম্বৰ) |
| | (১০নম্বৰ) |

শিকন পৰিণতি

* অসমীয়া ফন্ট আৰু কীবৰ্ডসমূহৰ ধাৰণা স্পষ্ট কৰিব
* অসমীয়া ডিটিপিৰ জ্ঞান থকা অভিজ্ঞব্যক্তিৰ অভাৱ পূৰণ কৰিব।

প্ৰসংগ পুথি ঃ
ব্যক্তিগত কম্পিউটাৰৰ পূৰ্ণাংগ ব্যৱহাৰিক পাঠঃ দেৱজ্যোতি বৰা, ইউনিকা প্ৰকাশন, যোৰহাট
সকলোৰে বাবে ইন্টাৰনেটঃ দেৱজ্যোতি বৰা, ইউনিকা প্ৰকাশন, যোৰহাট

**Title of the Course : ছপা মাধ্যমৰ বিজ্ঞাপন প্ৰস্তুতকৰণ**

**(Advertisement Preparation of Print Media)**

**Course Code : SEC216**

**Nature of the Course : Skill Enhancement Course**

**Total Credits : 03**

**Distribution of Marks : 80 (End Sem) + 20 (In-Sem)**

## প্ৰস্তাৱনা

বিজ্ঞাপনৰ লগত ছাত্ৰ-ছাত্ৰীক অভ্যস্ত কৰা সংস্থাপনৰ সম্ভাৱনাক লক্ষ্য হিচাপে লৈ এই পাঠ্যক্ৰম আগবঢ়োৱা হৈছে। ই এফালে বিজ্ঞাপনৰ ধাৰণা স্পষ্ট কৰিব আনফালে অসমীয়া বিজ্ঞাপনৰ জ্ঞান থকা অভিজ্ঞব্যক্তিৰ অভাৱ পুৰণ কৰিব।

## উদ্দেশ্য

- বিজ্ঞাপনৰ প্ৰস্তুতকৰণৰ প্ৰাথমিক জ্ঞানপ্ৰদান কৰা ।
- বিভিন্ন মাধ্যমৰ বিজ্ঞাপনৰ ধৰণ সম্পৰ্কে ধাৰণা প্ৰদান কৰা ।
- বিজ্ঞাপনপ্ৰস্তুতিৰজ্ঞান ছাত্ৰ -ছাত্ৰীক প্ৰদান কৰা ।

| UNIT | TOPIC | L পাঠদান | T অনুশিক্ষণ | P ব্যৱহাৰিক | Total | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|---|
| I | বিজ্ঞাপন ঃ সংজ্ঞা, প্ৰকৃতি আৰু কাৰ্যাৱলী | ০৯ | ০২ | | ১১ | ২২ |
| II | বিজ্ঞাপনৰ বিভিন্ন মাধ্যম আৰু বিভিন্ন প্ৰকাৰ | ১০ | ০২ | | ১২ | ২২ |
| III | বিজ্ঞাপন প্ৰস্তুতকৰণৰ সাধাৰণ ধাৰণা | ০৮ | ০২ | | ১০ | ১৬ |
| IV | ছপা মাধ্যমৰ বিজ্ঞাপন প্ৰস্তুতকৰণ | ০৬ | | ০৬ | ১২ | ২০ |
| | Total | ৩৩ | ০৬ | ০৬ | ৪৫ | ৮০ |

**আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি** (২০ নম্বৰ)

- আভ্যন্তৰীণ পৰীক্ষা (এটা) (১০ নম্বৰ)
- বিজ্ঞাপন প্ৰস্তুতকৰণ (১০ নম্বৰ)

## শিকন পৰিণতি

- বিজ্ঞাপনৰ প্ৰস্তুতকৰণৰ প্ৰাথমিক জ্ঞানলাভ কৰিব
- বিভিন্ন মাধ্যমৰ বিজ্ঞাপনৰ ধৰণ সম্পৰ্কে জানিব পাৰিব

- বিজ্ঞাপনৰ বিভিন্ন প্ৰকাৰসম্পৰ্কেসাধাৰণ ধাৰণালাভ কৰিব
- ছপা মাধ্যমৰ বিজ্ঞাপনপ্ৰস্তুতিৰ কলা কৌশল লাভ কৰিব পাৰিব

**প্ৰসংগ পুথি ঃ**

*ব্যক্তি ত্ব, সুকুমাৰ কৌশল আৰু যোগাযোগ* ঃ নীৰাজনা মহন্ত বেজবৰা
*প্ৰবন্ধ সঞ্চয়ন(দ্বিতীয় খণ্ড)* ঃ জিতাঞ্জলি বৰপূজাৰী বৰঠাকুৰ (সম্পা.)
*হিন্দী বিজ্ঞাপনোঁ কি ভাচা* ঃ আশা পাণ্ডে
*English in Advertising* :G.N. Leach,
*English Language in Advertising* : Indu Barla Pandya
*Hindi in Advertising* : Suresh Kumar

**SEMESTER-III**

**Title of the Course : সম্পাদনা আৰু আৰ্হিকাকত শুধৰণি**

**( Editing and Proof Reading)**

**Course Code : ASSA-SEC-3013**
**Nature of the Course : Skill Enhancement Course**
**Total Credits : 03**
**Distribution of Marks :80 (End Sem) + 20 (In-Sem)**

## প্ৰস্তাৱনা

সম্পাদনা আৰু আৰ্হিকাকত শুধৰণি লগত ছাত্ৰ-ছাত্ৰীক অভ্যস্ত কৰা আৰু প্ৰকাশনৰ বহল ক্ষেত্ৰখনত সংস্থাপনৰ সম্ভাৱনাক লক্ষ্য হিচাপে লৈ এই পাঠ্যক্ৰম আগবঢ়োৱা হৈছে। ই এফালে সম্পাদনা আৰু আৰ্হিকাকত শুধৰণি ধাৰণা স্পষ্ট কৰিব আনফালে অসমীয়া ডিটিপিৰ জ্ঞান থকা অভিজ্ঞ ব্যক্তিৰ অভাৱ পুৰণ কৰিব।

## উদ্দেশ্য

- সম্পাদনাৰ সৈতে পৰিচয় কৰাই দিয়া
- আৰ্হি কাকত পৰীক্ষণৰ ব্যৱহাৰিক দিশসমূহৰ পৰিচয় কৰাই দিয়া

| UNIT | TOPIC | L পাঠদান | T অনুশিক্ষণ | P ব্যৱহাৰিক | **Total** | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|---|
| I | সম্পাদনা ঃ সাধাৰণ পৰিচয়, প্ৰায়োগিক আৰু বৃত্তিমুখী গুৰুত্ব,সম্পাদকৰ ভূমিকা | ৮ | ২ | | **১০** | ১৮ |
| II | গ্ৰন্থ সম্পাদনা ঃ ক্ষেত্ৰ,প্ৰকৃতি আৰু প্ৰকাৰ | ৮ | ৩ | | **১১** | ২২ |
| III | আলোচনী সম্পাদনা ঃ আলোচনী সম্পাদনাৰ কলা আৰু সম্পাদকৰ কাৰ্যাবিধি | ৯ | ২ | | **১১** | ২২ |
| IV | আৰ্হি কাকত পৰীক্ষণৰ ব্যৱহাৰিক দিশসমূহ **আৰ্হি কাকত পৰীক্ষণৰ সমস্যা** | ৩ | | ১০ | **১৩** | ১৮ |
| | **Total** | ২৮ | ৭ | ১০ | ৪৫ | ৮০ |

**আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি** (২০ নম্বৰ)

- আভ্যন্তৰীণ পৰীক্ষা (এটা) (১০ নম্বৰ)
- ব্যৱহাৰিক পৰীক্ষা (১০ নম্বৰ)

## শিকন পৰিণতি

- সম্পাদনা আৰু আৰ্হিকাকত শুধৰণিৰ সৈতে ছাত্ৰ-ছাত্ৰী সকল পৰিচিত হ'ব।

**প্ৰসংগ পুথি ঃ**


*গণ-মাধ্যম আৰু সম্প্ৰচাৰ সাংবাদিকতা* ঃ অংকুৰণ দত্ত, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী

*ফ্ৰিলান্স সাংবাদিকতা আৰু লেখা-মেলা* ঃ অংকুৰণ দত্ত(অনু.) মূল. পাৰ্থ চট্টোপাধ্যায়, বীণা লাইব্ৰেৰী

*ব্যক্তি গত কম্পিউটাৰৰ পূৰ্ণাংগ ব্যৱহাৰিক পাঠ* ঃ দেৱজ্যোতি বৰা, ইউনিকা প্ৰকাশন, যোৰহাট

*সকলোৰে বাবে ইন্টাৰনেট* ঃ দেৱজ্যোতি বৰা, ইউনিকা প্ৰকাশন, যোৰহাট

***সম্পাদনা আৰু প্ৰকাশন* ঃ নৰকুমাৰ চমুৱা**

SEMESTER-2

Course No.

SEMESTER-II

Title of the Course . কম্পিউটাৰত অসমীয়া ভাষাৰ ব্যৱহাৰ

(Application of Assamese Languge in Computer)

Course Code . ASSA-SEC-2013(A)

Nature of the Course. Skill Enhancement Course

Total Credits . o3

Distribution of Marks . 80 (End Sem)+20 (In-Sem)

প্ৰস্তাৱনা

কম্পিউটাৰ আৰু তথ্য প্ৰযুক্তিৰ লগত ছাত্ৰ-ছাত্ৰীক অভ্যস্ত কৰা আৰু অসমীয়া ডিটিপিৰ সম্পূৰ্ণ জ্ঞান আহৰণ কৰি প্ৰকাশনৰ বহল ক্ষেত্ৰখনত সংস্থাপনৰ সম্ভাৱনাক লক্ষ্য হিচাপে লৈ এই পাঠ্যক্ৰম আগবঢ়োৱা হৈছে। ই এফালে অসমীয়া ফন্ট আৰু কীবৰ্ডসমূহৰ ধাৰণা স্পষ্ট কৰিব আনফালে অসমীয়া ডিটিপিৰ জ্ঞান থকা অভিজ্ঞ ব্যক্তিৰ অভাৱ পূৰণ কৰিব।

উদ্দেশ্য

* কম্পিউটাৰ আৰু তথ্য প্ৰযুক্তিৰ লগত ছাত্ৰ-ছাত্ৰীক অভ্যস্ত কৰা

* অসমীয়া ডিটিপিৰ সম্পূৰ্ণ জ্ঞান প্ৰদান কৰা

| Unit | Topic | L | P | Total | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| I. | কম্পিউটাৰ ব্যৱহাৰৰ সাধাৰণ জ্ঞান<br>মাইক্ৰ'ছফট (ৱৰ্ড, পাৱাৰপইন্ট), এডব (পেজমেকাৰ, ফট'ছপ, ইনডিজাইন)ত ফাইল বনোৱা (Create), ফাইল খোলা (Open), আৰু এইবিলাক টাইপিং কৰাৰ সাধাৰণ জ্ঞান। | ১০ | | ১০ | ২০ |
| II. | ক) কম্পিউটাৰত অসমীয়া টাইপিং কৰা বিভিন্ন ছফ্টৱেৰৰ পৰিচয়-ৰামধেনু, উইনলিপি, ৰ'দালি, অভ্ৰ. আদি।<br>খ) ইউনিক'ডৰ ধাৰণা<br>গ) ইউনিক'ড সমৰ্থিত অসমীয়া ফন্ট<br>ঘ) অনা-ইউনিক'ড অসমীয়া ফন্ট | ১০ | | ১০ | ২০ |
| III. | কম্পিউটাৰত অসমীয়া ভাষাঃ প্ৰায়োগিক দিশ-<br>ক) কীবৰ্ডত আখৰ চিনাকি<br>খ) টাইপিং<br>গ) প্ৰিন্ট<br>ঘ) আৰ্হি কাকত পৰীক্ষণ আৰু **সম্পাদনা**<br>ঙ) **কম্পিউটাৰ যোগে অসমীয়া ভাষাৰ অক্ষৰ বিন্যাস আৰু সংজ্ঞা** | ০৫ | ১০ | ১৫ | ২০ |
| IV. | অংগসজ্জা (Layout) ৰ ধাৰণা<br>ক) পেজমেকাৰত A4 , Legal, Letterhalf আদি বিভিন্ন পেজত ছেটিং।<br>খ) মাইক্ৰ ছফ্ট পাৱাৰপইন্টত বিভিন্ন পেজ আৰু ফন্টৰ লেআউট | ০৫ | ০৫ | ১০ | ২০ |
| | মুঠ | | | ৪৫ | ৮০ |

**আভ্যন্তৰীণ মূল্যায়নৰ পদ্ধতি** (২০ নম্বৰ)

- আভ্যন্তৰীণ পৰীক্ষা (এটা) (১০ নম্বৰ)
- ব্যৱহাৰিক পৰীক্ষা (১০ নম্বৰ)

## শিকন পৰিণতি

- অসমীয়া ফণ্ট আৰু কীবৰ্ডসমূহৰ ধাৰণা স্পষ্ট কৰিব
- অসমীয়া ডিটিপিৰ জ্ঞান থকা অভিজ্ঞব্যক্তিৰ অভাৱ পুৰণ কৰিব।

**প্ৰসংগ পুথি ঃ**

*ব্যক্তি গত কম্পিউটাৰৰ পূৰ্ণাংগ ব্যৱহাৰিক পাঠ* ঃ দেৱজ্যোতি বৰা, ইউনিকা প্ৰকাশন, যোৰহাট
*সকলোৰে বাবে ইন্টাৰনেট* ঃ দেৱজ্যোতি বৰা, ইউনিকা প্ৰকাশন, যোৰহাট

## FURKATING COLLEGE (AUTONOMOUS)

# DEPARTMENT OF ASSAMESE

| Year | Semester | Course Code | Title of the Course | Total Credit |
|---|---|---|---|---|
| Year 1 | 1st Semester | ASSA-MA-1014 | Introduction to History of Assamese Language and Script | 4 |
| | | ASSA-MI-1014 | Languages and Script of Assam | 4 |
| | | ASSA-GEC-1013(A) | Introduction to Indian Literature | 3 |
| | | ASSA-GEC-1013(B) | Literary Appreciation | |
| | | ASSA-AEC-1014 | Skill and Ability enhancement in Assamese Language | 4 |
| | | ASSA-SEC-1013 | Personality Development & Soft Skill | 3 |
| | 2nd Semester | ASSA-MA-2014 | Introduction to History of Assamese Literature | 4 |
| | | ASSA-MI-2014 | History of Assamese Literature | 4 |
| | | ASSA-GEC-2013 (A) | Creative Writing | 3 |
| | | ASSA-GEC-2013 (B) | Literature of North East India | 3 |
| | | ASSA-SEC-2013 (A) | Application of Assamese Language in Computer | 3 |
| | | ASSA-SEC- 2013 (B) | Advertisement Preparation of Print and Electronic Media | 3 |
| Year 2 | 3rd Semester | ASSA-MA-3014 | Nature of Assamese Culture | 4 |
| | | ASSA-MA-3024 | Study of Assamese Poetry (Ancient, Romantic, Modern) | 4 |
| | | ASSA-MI-3014 | Studies on the Culture of Assam | 4 |
| | | ASSA-GEC-3013 (A) | Translation : Theory and Application | 3 |
| | | ASSA-GEC-3013 (B) | Introduction to Language of North East India | 3 |
| | | ASSA-SEC-3013 | Editing and Proof Reading | 3 |